সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৮ সংখ্যা, ১০ আঘোণ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 48 Date Of Publication -27 November 2022 Rs.10.00/-

## মুক্ৰ কাণ্ডত নিহত বনকৰ্মী বিদ্যাছিং লেকথেৰ বাসগৃহত মন্ত্ৰী যোগেন মোহন



ৰঙিলী বাৰ্ত্তাসেৱা- মেঘালয় মুক্ৰ কাণ্ডক লৈ বৰ্তমান অশান্ত হৈ আছে দুয়োখন ৰাজ্য। এই ঘটনা সংঘটিত হোৱা আজি ষষ্ঠটো দিন আৰু বৰ্তমানলৈ অসমৰ পৰা মেঘালয়লৈ বাহনৰ চলাচল বন্ধ ৰখা হৈছে। এই ঘটনাত অসমৰ এজন বনকৰ্মী নিহত হোৱাৰ লগতে মেঘালয়ৰ পাঁচজন লোক নিহত হৈছিল। মুক্ৰ কাণ্ডত নিহত অসমৰ বনকৰ্মী বিদ্যাছিং লেকথেৰ ঘৰত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত হয়। শনিবাৰে নিশা লেকথেৰ ঘৰত উপস্থিত হৈ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে মুক্ৰ ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দি বিদ্যাছিং লেকথেক বীৰ বুলি ঘোষণা কৰে। লগতে তেখেতে দোষীৰ কঠোৰ শাস্তিৰ পোষকতা কৰে। ইয়াৰোপৰি তেওঁ চৰকাৰক এই ঘটনাৰ চিবিআই তদন্তৰো দাবী জনায়। উল্লেখ্য যে, মন্ত্ৰী যোগেন মোহনেও লেকথেৰ পৰিয়ালক সাক্ষাৎ কৰি বনকৰ্মীজনৰ পৰিয়ালক সংস্থাপন দিয়াৰ আশ্বাস দিয়ে। লগতে তেওঁ কয় যে, সীমা সমস্যাৰ বাবে এই ঘটনা ঘটা নাই। এৰা-ধৰা মাজেৰে সীমা সমস্যা সমাধান হ'ব বুলিও তেওঁ কয়। ইয়াৰোপৰি, মন্ত্ৰী যোগেন মোহনে ঘটনাত আহত ফৰেষ্ট গাৰ্ড অভিমন্যু দাসক ১ লাখ টকাৰ সাহায্য ঘোষণা কৰে। আনহাতে, বন বিভাগৰ পৰা লেকথেৰ পৰিয়ালক ৪ লাখ টকা দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। মুক্ৰ'ত লেকথেৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ লগতে লেকথেৰ নামেৰে মুক্ৰ' বন শিবিৰ নামাকৰণ কৰা হ'ব বুলি ঘোষণা কৰে মন্ত্ৰীজনে।

## লাচিত বৰফুকনৰ নামত উৎসৰ্গা দেৰগাঁৱৰ অসম আৰক্ষী একাডেমী




ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লীত অনুষ্ঠিত হোৱা বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ দ্বিতীয় দিনা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰি লাচিত বৰফুকনৰ বীৰত্ব গাথাৰ ওপৰত নিৰ্মিত তথ্যচিত্ৰ উন্মোচন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্বাহক চেলেং চাদৰ, হেংদাং আৰু গামোচাৰে আদৰণি জনায়। মুখ্যমন্ত্ৰীয়ে আদৰণী ভাষণত বীৰ লাচিত বৰফুকনৰ গৌৰৱ গাথাৰ বৰ্ণনা কৰাৰ লগতে উত্তৰ-পূব ভাৰতত ইছলামী শাসকৰ আক্ৰমণৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাই বিজয় সাব্যস্ত নকৰিলে আজি ম্যানমাৰকে ধৰি উত্তৰ-পূবৰ সাংস্কৃতিক নক্সাই সলনি হৈ পৰিলেহেঁতেন। লাচিত জয়ন্তী উপলক্ষে মুকলি কৰা প'ৰ্টেলত এতিয়ালৈ ৩৮ লাখ লোকে লাচিতৰ বিষয়ে ৰচনা লিখাৰ কথা প্ৰকাশ কৰি কয় যে লাচিত বৰফুকনে দ্বিতীয়বাৰৰ বাবে বৃহত্তৰ অসমীয়া সমাজক একত্ৰিত কৰিছে। এই সভাতে মুখ্যমন্ত্ৰীয়ে দেৰগাঁওস্থিত অসম আৰক্ষী একাডেমীখন লাচিত

( দুই পৃষ্ঠাত চাওক)

## অৱশেষত গা লৰিল শক্তি বিভাগৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ বিদ্যুতৰ গ্ৰাহকসকললৈ সাময়িক সকাহ। অৱশেষত গা লৰিল শক্তি বিভাগৰ। অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চমুকৈ এ পি ডি চি এলৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত বাতিল। পৰৱৰ্তী সিদ্ধান্ত নোহোৱালৈকে বাতিল কৰিলে মাচুল বৃদ্ধিৰ জাননী। ৭৯ পইচাকৈ মাচুল বৃদ্ধিৰ সিদ্ধান্ত লৈছিল বিভাগে। এ পি ডি চি এলে এক জাননীৰ জৰিয়তে এই কথা জানিবলৈ দিছে।

### সম্পাদকীয়ঃ

## কেৱল আৰ্থিক সাহাৰ্য্যয়ে জানো ক্ষতিপূৰণ কৰিব পাৰে?

আজি দুদিন পূৰ্বে পশ্চিম কাৰ্বি আংলঙৰ অসম-মেঘালয় সীমান্তৰ মুক্ৰত হোৱা সীমা বিবাদত এজন দুজন নহয় ছজনকৈ লোকৰ মৃত্যু হোৱাৰ ঘটনা অতিকৈ হৃদয় বিদাৰক তথা ভাষাহীন। আমাৰ মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ মতে এই চোৰাং কাঠৰ ব্যৱসায়ীৰ লগত হোৱা সীমা বিবাদ নহয় এই চোৰাং কাঠৰ ব্যৱসায়ীৰ লগত হোৱা সংঘৰ্ষ। বিষয় যি নহওক কিয় এতিয়া প্ৰশ্ন হ'ল মানুহৰ কৰ্মকাণ্ড ইমান অমানুহ কেনেকৈ হ'ব পাৰে। আমি সকলোবোৰ একেখন দেশতেই বাস কৰা বাই ভনী। তথাপিও আমাৰ মাজত ইমান কিয় আন্তৰিকতা শূণ্য কিয়? এজন মানুহৰ অনাকাংক্ষিত মৃত্যুয়ে এখন ঘৰৰ কিমান ক্ষতি কৰে তাৰ লেখ-জোখ নাই। কেৱল আৰ্থিক সাহাৰ্য্যৰে জানো চিৰজীৱনৰ বাবে হেৰাই যোৱা মানুহজনৰ জানো ক্ষতিপূৰণ কৰিব পাৰিব? মুক্ৰত সংঘটিত হোৱা ঘটনাটোৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে চিবিআইক দায়িত্ব অৰ্পণ কৰাৰ সিদ্ধান্তই মূলঘটনাটো পোহৰলৈ আহিব বুলি আমি আশাবাদী। এজন বনৰক্ষীৰ লগতে আনকেইবাজনো লোক নিহত হোৱা উক্ত ঘটনাটো পাশ্বক্ৰিয়াই হিচাবে দুৰ্বৃত্তই ট্ৰেফিক পইন্টৰ লগতে অসমৰ পঞ্জীয়নকৃত বাহনত অগ্নিসংযোগ কৰাৰ উপৰিও আৰক্ষীৰ লগতে আন বিভিন্ন বাহনত আক্ৰমণ কৰে।

## প্ৰবীণ অভিনেতা বিক্ৰম গোখলেৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- শনিবাৰে পুনেৰ এখন চিকিৎসালয়ত ৭৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে অভিনেতা বিক্ৰম গোখলে। ইয়াৰ পূৰ্বে তেওঁ চিকিৎসাধীন হৈ থকা চিকিৎসালয়খনে অভিনেতাজনৰ স্বাস্থ্যৰ অৱনতি ঘটা বুলি জানিবলৈ দিছিল। অভিনেতাগৰাকীৰ পৰিয়ালৰ উদ্ধৃতি দি সংবাদ সংস্থা পিটিআইয়ে প্ৰকাশ কৰা অনুসৰি,

( তিনিপৃষ্ঠাত চাওক)

# নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস




ৰঙিলী বাৰ্ত্তাসেৱা- ফুৰিবলৈ গৈ মৃত্যুক আকোৱালি ল'লৈ ৰঙিয়াৰ এজন যুৱকে। ছিকিমৰ উমথাঙলৈ ফুৰিবলৈ গৈ পত্নীৰ সন্মুখতে মৃত্যুক সাবটি ল'লে ৰঙিয়াৰ মুনজিৎ দাসে। ৰঙিয়াৰ ৫ নং ৱাৰ্ডৰ শম্ভুৰাম দাসৰ জ্যেষ্ঠ সন্তান মুনজিত কিছুমাহ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল। কিন্তু দেহৰ পৰা মাহ হালধিৰ গোন্ধ আঁতৰ নৌহওঁতেই ইহ সংসাৰ ত্যাগ কৰিলে মুনজিতে। মৃত্যুৰ আগমুহূৰ্তত পত্নীক কৈ গল এষাৰি বাক্য — 'তুমি এজন ভাল ল'ৰা চাই আকৌ বিয়াত বহিবা, মই আৰু জীয়াই নাথাকিম চাগে।' এই কথাষাৰ কৈয়ে অজান দেশলৈ গুচি গ'ল ৰঙিয়া নগৰৰ ৫ নং ৱাৰ্ডৰ শান্তিপুৰৰ ৩০ বছৰীয়া উদীয়মান যুৱক মুনজিৎ দাসে। জানিব পৰা মতে, নতুনকৈ বিবাহপাশত আবদ্ধ হৈ ছিকিমলৈ ফুৰিবলৈ গৈছিল দম্পতীহাল। অক্সিজেনৰ অভাৱত মৃত্যুক আঁকোৱালি লয় মুনজিৎ দাসে। আমেৰিকাৰ এটা ব্যক্তিগত কোম্পানীত অনলাইনযোগে কৰ্মৰত মুনজিতে যোৱা ১৪ নৱেম্বৰত পত্নীৰ সৈতে ছিকিমলৈ ফুৰিব গৈছিল। ছিকিমৰ ওখ ঠাই উমথাং পোৱাৰ পিছতে অতি কম পৰিমাণে অক্সিজেন পোৱাত মুনজিতে উশাহ-নিশাহত কষ্ট পাই আৰু যুৱকজনৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটে। সেই স্থানতে থকা স্বাস্থ্য কেন্দ্ৰ এটাত মুনজিতক ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে অক্সিজেন কম পোৱা বুলি কৈ প্ৰাথমিক চিকিৎসা কৰি ততাতৈয়াকৈ উন্নত চিকিৎসাৰ বাবে অন্য ঠাইলৈ নিবলৈ পৰামৰ্শ দিয়ে। চিকিৎসকৰ পৰামৰ্শ মানি দুয়ো লগে লগে ছিকিমৰ পৰা উভতি আহে যদিও তেতিয়ালৈ মুনজিতৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটে। পত্নীয়ে উপায়ন্তৰ হৈ নিউ জলপাইগুৰিৰ এখন নাৰ্ছিংহোমত স্বামীক ভৰ্তি কৰাই যদিও পত্নীৰ চকুৰ সন্মুখতে মুনজিৎ দাসে মৃত্যুক সাবটি লয়। পত্নীয়ে ঘটনাৰ বিষয়ে পৰিয়ালক অৱগত কৰাত পৰিয়ালৰ লোকে লগে লগে নিউজলপাইগুৰিলৈ ৰাওনা হয়। পুৱতি নিশা তেওঁৰ নশ্বৰ দেহ ৰঙিয়াৰ শান্তিপুৰৰ বাসগৃহত লৈ অহাত শোকৰ ছাঁ পৰে।

# বাংলাদেশত বাস কৰা অসমীয়া লোকসকলক অসমলৈ আমন্ত্ৰণ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- 'কা' বলৰৎ হ'লেই অসমলৈ উভতি আহিব নেকি বাংলাদেশত বাস কৰা অসমীয়াসকল? বাংলাদেশত বাস কৰা অসমীয়াক অসমলৈ আমন্ত্ৰণ বিশ্বজিৎ দৈমাৰীৰ। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অসমলৈ উভতি আহিবলৈ আহ্বান জনাইছে বাংলাদেশী অসমীয়াসকলক। অসম বিধানসভাৰ ৩২ জনীয়া বিধায়িনী দলৰ ভ্ৰমণৰ সময়তে এই আহ্বান অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ। বাংলাদেশত আছে ৫০০ৰো অধিক অসমীয়া পৰিয়াল। বাংলাদেশৰ অসম বস্তি ৰূপে খ্যাত গাঁৱত আছে অসমীয়া বাংলাদেশীসকল। বাংলাদেশ চৰকাৰে অসমীয়াসকলক অসম বুলিও স্বীকৃতি দিছে। অধিকাংশ অসমীয়াই বাংলাদেশত নিজৰ উপাধি অসম বুলি লিখি আহিছে। বাংলাদেশ চৰকাৰৰ চৰকাৰী আঁচনিৰ সা-সুবিধাও লাভ কৰি আছে অসমীয়াসকলে। ভ্ৰমণকালত 'কা'ৰ জৰিয়তে বাংলাদেশত থকা অসমীয়াসকলক অসমলৈ আহিবলৈ আহ্বান জনাইছে দৈমাৰীয়ে।

# গুৱাহাটী মহানগৰীত দিন দুপৰতে সংঘটিত হ'ল গুলীচালনাৰ ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- এক চাঞ্চল্যকৰ ঘটনা। গুৱাহাটী মহানগৰীত দিন দুপৰতে সংঘটিত হ'ল গুলীচালনাৰ ঘটনা। পাঞ্জাবাৰীত গাড়ীৰ ভিতৰতে এজন লোকলৈ দুৰ্বৃত্তৰ গুলীচালনা। পূৰবী ডায়েৰীৰ ডিষ্ট্ৰিবিউটৰলৈ লক্ষ্য কৰি গুলীচালনা। গুলীচালনাত গুৰুতৰভাৱে আহত হয় পূৰবী ডায়েৰীৰ ডিষ্ট্ৰিবিউটৰ ৰঞ্জিত বৰা। লগে লগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয় ৰঞ্জিত বৰাক। মূৰত গুলী লাগিছে ৰঞ্জিত বৰাৰ। বেংকত ধন জমা কৰিবলৈ যোৱাৰ সময়তে গুলীচালনা কৰে দুৰ্বৃত্তই।

# পশ্চিম কাৰ্বি আংলং-মেঘালয় সীমান্তৰ মক্ৰত তীব্ৰ উত্তেজনা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম-মেঘালয় সীমান্তত পুনৰ উত্তেজনা। পশ্চিম কাৰ্বি আংলং আৰু মেঘালয় সীমান্তৰ মক্ৰত সংঘটিত হৈছে গুলীচালনাৰ ঘটনা । এই গুলীচালনাৰ ঘটনাত নিহত হৈছে ৬ জন লোক । ৫ খাচী দুৰ্বৃত্তৰ লগতে এজন গৃহৰক্ষী জোৱান নিহত হৈছে এই গুলীচালনাৰ ঘটনাত । এই ঘটনাক কেন্দ্ৰ কৰি দুয়োখন ৰাজ্যতে উত্তেজনাই বিৰাজ কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীয়ে অসমৰ কোনো লোককে মেঘালয়লৈ নোযোৱাৰ বাবে আহ্বান জনাইছে। যিকোনো সময়তে পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ আশংকা কৰা হৈছে। বিশেষকৈ গুৱাহাটীৰ পৰা শ্বিলঙলৈ যোৱা অসমৰ লোকসকলক আৰক্ষীয়ে নাযাবৰ বাবে আহ্বান জনাইছে। গুৱাহাটীৰ খানাপাৰাত আৰক্ষীয়ে মেঘালয়লৈ যাব খোজা অসমৰ লোকসকলক ওভোতাই পঠাইছে। খানাপাৰাত আৰক্ষীৰ কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে । আৰক্ষীয়ে শ্বিলং অভিমুখে যোৱা অসমৰ বাহনসমূহ বিশেষকৈ অসমৰ লোকসকলক ঘূৰাই পঠিয়াইছে । কাছাৰতো আৰক্ষীয়ে লোকসকলক মেঘালয় ভ্ৰমণত বাধা আৰোপ কৰিছে । সীমান্তৰ উত্তেজনাক লৈ শ্বিলঙলৈ যোৱা অসমৰ লোকসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হ'ব পাৰে বুলি আশংকা কৰি অসম আৰক্ষীয়ে এনে উদ্যোগ গ্ৰহণ কৰিছে । ফলত শ্বিলং অভিমুখে যোৱা বহু লোক উভতি আহিবলগীয়া হৈছে। উল্লেখ্য যে অসম-মেঘালয় সীমান্তত আজি আৰক্ষীৰ টহলদাৰী দললৈ লক্ষ্য কৰি আক্ৰমণ চলাইছিল খাচী দুৰ্বৃত্তই। পশ্চিম কাৰ্বি আংলঙৰ জিৰিকিডিঙৰ মুক্ৰত সংঘটিত

( পাঁচ পৃষ্ঠাত চাওক)

# কলিয়াবৰত শোকাৱহ পথ দুৰ্ঘটনা

ৰঙিলী বাৰ্ত্তাসেৱা- কলিয়াবৰৰ হাতীয়েখোৱাত সোমবাৰে নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন ট্ৰাক আৰু হোণ্ডাই বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলতেই এই ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হয়। মুখামুখি সংঘৰ্ষত থিতাতে নিহত হয় ৫ জনকৈ যুৱক। বিবাহ যাত্ৰী হিচাপে গৈ পথ দুৰ্ঘটনাত মৃত্যুক সাবটিলে বোকাখাতৰ ৫ যুৱকে। বোকাখাতৰ কলাখোৱা গাঁৱৰ পৰা বৰযাত্ৰী হিচাপে এ এছ ০৫ কিউ ২৬৮৩ নম্বৰৰ হোণ্ডাই অ'ৰাখনত কলাখোৱা গাঁৱৰ সন্দীপ কুমাৰ পাল, সঞ্জয় দাস, সমীৰ পাল আৰু ম'হমাইকী গাঁৱৰ বিবেক দাস আৰু বিকাশ শৰ্মা তেজপুৰ ঠেলামাৰীলৈ বুলি আহি আছিল। কিন্তু তেওঁলোক আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা গৈ থকা ইউ পি ৩৭ এ টি ২৭৬৫ নম্বৰৰ মালবাহী ট্ৰাকখনৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। মুখামুখি সংঘৰ্ষৰ ফলত হোণ্ডাই অ'ৰা বাখনখনত থকা ৫ জন যুৱকৰে থিতাতে মৃত্যু ঘটে। ৰাইজৰ অভিযোগ অনুসৰি ফ'ৰলেন কৰ্তৃপক্ষৰ গাফিলতিৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হ'বলৈ পালে। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# লাচিত বৰফুকনৰ নামত উৎসৰ্গা

বৰফুকনৰ নামত উৎসৰ্গা কৰাৰ কথা ঘোষণা কৰে। ৰাজ্য চৰকাৰে ইয়াৰ লগতে ৰাষ্ট্ৰীয় পুলিচ একাডেমী হায়দৰাবাদত বীৰ লাচিতৰ নামত এক স্মাৰক ভৱন নিৰ্মাণৰ বাবে সিদ্ধান্ত গ্ৰহণৰ বিষয়ে জনায়। দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে লাচিত বৰফুকনলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি ভাষণত উল্লেখ কৰে যে লাচিত বৰফুকনৰ দৰে বীৰ যদি সেই সময়ত নাথাকিলেহেঁতেন, তেন্তে আজি উত্তৰ-পূব হয়তো ভাৰতৰ অংগ নহ'লহেঁতেন। বৰফুকনৰ প্ৰচেষ্টাই অকল অসম বা উত্তৰ-পূবকেই নহয় দক্ষিণ এছিয়াক ধৰ্মীয় আগ্ৰাসনৰ পৰা ৰক্ষা কৰিছে। লাচিত বৰফুকনৰ পৰাক্ৰমৰ উপকাৰিতা গোটেই ভাৰতত, সংস্কৃতিত আৰু সভ্যতাত আছে। লগতে তেওঁ কয় যে যি জাতিৰ দেশৰ গৌৰৱময় ইতিহাসক লৈ উপলব্ধি নাথাকে, সেই জাতিয়ে নিজৰ ভৱিষ্যৎ কেতিয়াও সোণালী কৰিব নোৱাৰে। গৃহমন্ত্ৰীগৰাকীয়ে বীৰপুৰুষ লাচিত বৰফুকন গৰিমা উত্তৰ-পূবৰ পৰা দেশলৈ প্ৰচাৰ-প্ৰসাৰৰ বাবে লোৱা প্ৰচেষ্টাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

# পাঞ্জাবাৰীৰ হত্যাকাণ্ডৰ ক্লু লাভ কৰিছে আৰক্ষীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- সোমবাৰে মহানগৰীৰ পাঞ্জাবাৰীত দিন দুপৰতে গুলীয়াই হত্যা কৰা হৈছিল পূৰবী ডায়েৰীৰ বিতৰক ৰঞ্জিত বৰাক। বাইকত অহা দুৰ্বৃত্তই গাড়ীৰ ভিতৰতে গুলীয়াই থৈ গৈছিল লোকজনক। হাস্পতাললৈ অনাৰ পথত মৃত্যু হৈছিল ৰঞ্জিত বৰাৰ। লোকজনৰ পৰা নগদ ২.৫০ লাখ টকাৰ বেগ কাঢ়ি লৈ যায়। মঙলবাৰে ৰঞ্জিত বৰাৰ হত্যাৰ ঘটনাৰ সৈতে জড়িতৰ সন্দেহত দুজনক আৰক্ষীয়ে আটক কৰিছে। ঘটনা সংঘটিত হোৱা স্থানৰ পৰাই সোমবাৰে নিশা আটক কৰা হৈছে দুয়োজন যুৱকক। ঘটনা সন্দৰ্ভত ইতিমধ্যে বহু ক্লু লাভ কৰা হৈছে বুলি দাবী আৰক্ষীৰ।

# এইবাৰ নগাই অসমত প্ৰৱেশ কৰি ভাঙিলে ব্যৱসায়ীক প্ৰতিষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- মেঘালয়ৰ পিছত এইবাৰ নাগালেণ্ডত চেপা উত্তেজনা। অসম মেঘালয়ৰ উত্তেজনা অব্যাহত থকাৰ মাজতে এইবাৰ নগাই অসমত প্ৰৱেশ কৰি ভাঙিলে ব্যৱসায়ীক প্ৰতিষ্ঠান। নগা আৰক্ষীয়ে শিৱসাগৰৰ নাজিৰাৰ ঔগুৰিজানত পুৰাই চলালে উচ্ছেদ অভিযান। অসমৰ ভূমিত প্ৰৱেশ কৰি অসমৰ ১২ খনকৈ দোকান ভাঙিলে নগা আৰক্ষীয়ে। নগা আৰক্ষীয়ে এক্সকেভেটৰেৰে এই ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ভাঙি দিয়া কাৰ্যক সহজভাৱে ল'ব পৰা নাই অসমৰ লোকসকলে। এই ঘটনাৰ পাছতে নগা আৰক্ষীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় অসমীয়া লোকসকলে। দীৰ্ঘদিনৰ পৰা নাগালেণ্ডে নাজিৰাৰ বিহুবৰৰ ঔগুৰিজান তেওঁলোকৰ বুলি দাবী কৰি আহিছে।

# হিন্দী ছাৰক লপা-থপা দিলে গাঁৱৰ ৰাইজে



ৰঙিলী বাৰ্ত্তাসেৱা- ছাত্ৰীৰ শ্লীলতা হানিৰ অভিযোগত শ্ৰেণী কোঠাৰ ভিতৰতেই জোতা, চেণ্ডেলেৰে গুৰুলা-গুৰুলকৈ এজন শিক্ষকক প্ৰহাৰ ক্ষুব্ধ অভিভাৱকৰ। চিৰাঙৰ বাসুগাঁওস্থিত ৰজা অজিত নাৰায়ণ দেৱ গাৰ্লচ এম ই স্কুলত সংঘটিত হৈছে এই ঘটনা। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, অভিযোগ অনুসৰি, যোৱা চৰ তাৰিখত ৰজা অজিত নাৰায়ণ দেৱ ছোৱালী এম ই স্কুলৰ হিন্দী বিভাগৰ শিক্ষক দীপক ভগতে শ্ৰেণীকোঠাতে সপ্তম শ্ৰেণীত অধ্যয়নৰত এগৰাকী ছাত্ৰীৰ সৈতে শ্লীলতা হানিৰ চেষ্টা কৰে। পিছত পৰিয়ালৰ লোকে ছাত্ৰী গৰাকীৰ মুখেৰে এই কথা জানিব পৰাত আজি বিদ্যালয় খনত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। উত্তেজিত ৰাইজে শিক্ষকজনক জোতা, চেণ্ডেলেৰে গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। ক্ষুদ্ধ ৰাইজে শিক্ষক গৰাকীয়ে পৰিধান কৰা কাপোৰ ফালি ছিৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অৱশেষত বাসুগাঁও থানাৰ আৰক্ষীৰ দল বিদ্যালয়খনত উপস্থিত হৈ শিক্ষক গৰাকীক আটক কৰি থানাত লৈ যায়।

# ৬০ টাতকৈ অধিক চোৰাং চিকাৰীৰ সন্ধান দিয়া জৰ'বা আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- চোৰাং চিকাৰীক বিচাৰি উলিওৱা ভাৰতৰ প্ৰথম কুকুৰ জৰ'বাৰ বৃদ্ধ বয়সৰ বাবে গুৱাহাটীত মৃত্যু হয়। ১২ বছৰীয়া জৰ'বা বেলজিয়াম মালিনোইছ বন্যপ্ৰাণী অপৰাধৰ বাবে দেশৰ প্ৰথম কুকুৰ দল 'কে৯' ৰ সদস্য আছিল। জৰ'বা সক্ৰিয়ভাৱে চোৰাং চিকাৰ বিৰোধী অভিযানত নিয়োজিত আছিল। তেওঁ ২০১২ চনৰ পৰা অৱসৰলৈকে বেছিভাগ সময় কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সেৱা আগবঢ়াইছিল আৰু গঁড়ৰ চোৰাং চিকাৰৰ সৈতে জড়িত লোকসকলক ধৰিবলৈ কৰ্তৃপক্ষক সহায় কৰিছিল। জৰ'বাই ২০১৯ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল আৰু এই বছৰৰ স্বাধীনতা দিৱসত পৰম্পৰাগত অসমৰ 'গামোচা' আৰু প্ৰশংসা পত্ৰৰে তেওঁৰ সেৱাৰ বাবে সন্মানিত হৈছিল। ২০১১ চনত জৈৱ বৈচিত্ৰ্য সংগঠন 'আৰণ্যক'ৰ উদ্যোগত অসমত বন্যপ্ৰাণী অপৰাধৰ বাবে দেশৰ প্ৰথম কুকুৰ দল স্থাপন কৰা হৈছিল। বেলজিয়ামৰ ছয়টা মালিনোইছ কুকুৰৰ সৈতে তেওঁলোকৰ সঞ্চালকসকলক লৈ গঠিত কে ৯ কুকুৰ দলটোৱে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যানৰ লগতে অসমৰ অন্যান্য গঁড়-বসতিপূৰ্ণ অঞ্চলত বন আৰু আৰক্ষী বিষয়াসকলক সক্ৰিয়ভাৱে সহায় কৰি আহিছে যাৰ ফলত আইন প্ৰৱৰ্তনকাৰী সংস্থাসমূহে বহুতো চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰিছে। জৰ'বা দলটোৰ প্ৰথম কুকুৰ আছিল আৰু তেওঁক আইন প্ৰৱৰ্তনকাৰী কৰ্তৃপক্ষক ৬০ জনৰো অধিক চোৰাং চিকাৰীক ধৰাত সহায় কৰিছিল। জৰ'বাকে ধৰি আমাৰ কে-৯ দলৰ সদস্যসকলে গঁড়ৰ চোৰাং চিকাৰৰ ঘটনাৰ পিছত চোৰাং চিকাৰীৰ প্ৰস্থান পথ বিচাৰি উলিওৱাত বন বিষয়াসকলক সহায় কৰিছে। এজন আন্তৰ্জাতিক ভাৱে প্ৰশংসিত গঁড় সংৰক্ষণ আৰু বন্যপ্ৰাণী অপৰাধ বিশেষজ্ঞ, আৰণ্যকৰ মুখ্য কাৰ্যবাহী বিষয়া ডঃ বিভাব কুমাৰ তালুকদাৰে এই কে-৯ নায়কজনক হেৰুওৱাৰ বাবে গভীৰ দুখ প্ৰকাশ কৰিছে।

# প্ৰবীণ অভিনেতা বিক্ৰম

“বিক্ৰম গোখলে চিকিৎসাধীন হৈ থকা পুনে চিকিৎসালয়ত মৃত্যু হৈছে।” প্ৰবীণ অভিনেতাগৰাকীৰ স্বাস্থ্য লাহে লাহে উন্নত হোৱা বুলি চিকিৎসকে প্ৰকাশ কৰাৰ মাত্ৰ এদিন পিছতেই এই দুঃখবৰ প্ৰকাশ পাইছে। স্বাস্থ্যজনিত জটিলতাৰ পৰিপ্ৰেক্ষিতত পুনেৰ দীননাথ মংগেশকাৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল গোখলে। মাৰাঠী থিয়েটাৰ আৰু চলচ্চিত্ৰ অভিনেতা চন্দ্ৰকান্ত গোখলেৰ পুত্ৰ বিক্ৰম গোখলে। তেওঁ কেইবাখনো হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰত অভিনয় কৰিছিল। ১৯৭১ চনত অমিতাভ বচ্চন অভিনীত পৰৱানা ছবিৰ জৰিয়তে ২৬ বছৰ বয়সত অভিনেতাগৰাকীয়ে অভিনয়ৰ অভিষেক ঘটায়। হম দিল দে চুকে চনম ছবিত অভিনয় কৰাৰ উপৰিও তেওঁক ভুল ভুলাইয়া, দিল ছে, দে দনা দন, মিছন মংগল আদি ছবিতো দেখা গৈছিল। মাৰাঠী ভাষাত তেওঁক নাটসমৰাত, আৰু দুছাৰী গোষ্ঠত দেখা পোৱা গৈছিল আৰু লগতে আঘাট নামৰ এখন ছবিও পৰিচালনা কৰিছিল।

# ৰাজ্যৰ লাখ লাখ লোকৰ কৰ্তন হ'ব ৰেছন কাৰ্ড

ৰঙিলী বাৰ্ত্তাসেৱা- শীঘ্ৰেই ৰাজ্যৰ লক্ষাধিক লোকৰ ৰেছন কাৰ্ড কৰ্তন হ'ব। বৃহৎসংখ্যক অযোগ্য লোকৰ হাতত ৰেছন কাৰ্ড থকাৰ কথা অৱগত হোৱাৰ পাছতেই কেন্দ্ৰীয় চৰকাৰে ভুৱা হিতাধিকাৰীসকলক চিনাক্ত কৰাৰ বাবে নিৰ্দেশ দিছে। আনকি এইবাৰ কেন্দ্ৰীয় চৰকাৰে ব্যৱসায়ৰ সৈতে জড়িত আৰু দহ বিঘাতকৈ অধিক ভূমি থকা লোকসকলকো ৰেছন কাৰ্ডৰ সুবিধা প্ৰদান কৰা নহ'ব বুলি ঘোষণা কৰিছে। আনহাতে, সুলভ মূল্যৰ সামগ্ৰী যোগান ধৰা দোকানীসকলকো ৰেছন কাৰ্ড থকা লোকসকলৰ নামৰ তালিকাৰ লগতে তেওঁলোকৰ জীৱিকাৰ তথ্য জিলা কাৰ্যালয়ত জমা দিয়াৰ বাবে নিৰ্দেশ দিয়া হৈছে। প্ৰণিধানযোগ্য যে অসমত বহু মধ্যবিত্ত লোকৰ হাতত ৰেছন কাৰ্ড থকাৰ কথা পোহৰলৈ অহাৰ পাছতেই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বাৰ্ষিক এক লাখ টকাতকৈ অধিক টকা উপাৰ্জন কৰা লোকসকলক স্বইচ্ছাই ৰেছন কাৰ্ডসমূহ ঘূৰাই দিয়াৰ বাবে আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ এই আহ্বানৰ পাছতেই কিছু সংখ্যক লোকে ৰেছন কাৰ্ড ঘুৰাই দিছিল যদিও বৃহৎসংখ্যক লোকেই ৰেছন কাৰ্ডসমূহ ঘুৰাই দিয়া নাছিল। ইফালে, কেন্দ্ৰীয় চৰকাৰে ৰেছন কাৰ্ডৰ সৈতে আধাৰ আৰু বেংক একাউণ্ট সংযোগ কৰাটো বাধ্যতামূলক কৰাৰ পাছতো এতিয়াও বৃহৎসংখ্যক লোকে আধাৰ আৰু বেংক একাউণ্ট সংযোগ কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি ৰাজ্যখনত থকা ৰেছন কাৰ্ডৰ সংখ্যা হৈছে ৫৬,৩০,৮৩৯ খন আৰু মুঠ হিতাধিকাৰীৰ সংখ্যা হৈছে ২,০৫,২৬,২৮৩ জন। ইয়াৰে ভিতৰত এতিয়ালৈকে ৫৫,৪৬,৫৮৭ খন ৰেছন কাৰ্ডৰ সৈতে আধাৰ সংযোগ হৈছে যদিও বৃহৎসংখ্যক লোকেই বেংক একাউণ্ট সংযোগ কৰা নাই। আজিৰ তাৰিখত মাত্ৰ ৪৮,৮১,৮৮৯ খন ৰেছন কাৰ্ডৰ সৈতেহে বেংক একাউন্ট সংযোগ হৈছে। প্ৰকৃততে ভুৱা হিতাধিকাৰীসকলে নিজৰ তথ্য লুকাই ৰখাৰ বাবেই ৰেছন কাৰ্ডৰ সৈতে বেংক একাউন্ট সংযোগ কৰা নাই। এনে পৰিস্থিতিত অনাগত দিনত ৰাজ্যখনৰ লাখ লাখ লোকৰ ৰেছন কাৰ্ড যে কৰ্তন হ'ব সেয়া একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে।

# বিশ্বাস হৈছে জীৱন শক্তি

ব্ৰহ্মাকুমাৰ আকাশ সাহা, সৰভোগ



বিশ্বাসত প্ৰচণ্ড শক্তি আছে। আমি বিশ্বাস কৰা বস্তুবোৰে আমাৰ ওপৰত গভীৰ ছাপ পেলাই দিয়ে। বৰ্তমান বহু দুখৰ কাৰণ হৈছে আমাৰ বিশ্বাস, আমাৰ মানসিকতা । আমি যেতিয়া সঁচা কথা, ইতিবাচক কথাত বিশ্বাস কৰোঁ তেতিয়া আমি সফল হওঁ কিন্তু যদি আমি নেতিবাচক কথাত বিশ্বাস কৰোঁ তেতিয়া নিশ্চয় জীৱনটো বেদনাদায়ক হৈ পৰে। গতিকে প্ৰতিটো দিশলৈ চাই, ইতিবাচক কথাবোৰ বুজি পোৱা আৰু বিশ্বাস কৰা উচিত। যদি আমি কিবা এটা কথা বা ঘটনাক ভয় কৰো, অৰ্থাৎ আমি তাৰ নেতিবাচকতাত বিশ্বাস কৰিছোঁ । যেনে, কাৰোবাৰ বিশ্বাস যে ‘মোৰ লগত সদায় বেয়া ঘটনা ঘটে’, এই বিশ্বাসে তেওঁৰ জীৱনত সুখৰ অনুমতি নিদিয়ে। আমি হয়তো তেওঁক বহুতো সুখ আৰু আনন্দৰ কথা কওঁ, কিন্তু তেওঁৰ নেতিবাচক বিশ্বাস ভংগ নোহোৱালৈকে তেওঁ সুখী হ’ব নোৱাৰে। “আমাৰ চিন্তাধাৰা, যিদৰে আছে, একে ধৰণৰ পৰিঘটনাক নিজৰ প্ৰতি আকৰ্ষণ কৰে আৰু সেই পৰিঘটনাবোৰ বাৰে বাৰে ঘটাৰ লগে লগে বিশ্বাসটো গভীৰ হৈ পৰে”। কোনোবাই হয়তো বিশ্বাস কৰিব, ‘মই সফল হ’ব নোৱাৰো’, ‘মানুহ বোৰ বেয়া’, ‘খং নোহোৱাকৈ কাম কেনেকৈ হ’ব’, ‘মই কৰিব নোৱাৰো’, ‘টেনচনটো প্ৰয়োজনীয়’, যেতিয়ালৈকে আমি এনে বাক্যত বিশ্বাস কৰিম, আমি যি বিচাৰো তাৰ পৰা সদায় আঁতৰত থাকিম। যেতিয়া আমি নেতিবাচক কথাবোৰত বিশ্বাস কৰোঁ তেতিয়া আমাৰ মনটোৱে তাক জোৰেৰে ধৰি লয় আৰু আমি দুখ, অশান্তি, ভয়, চিন্তাৰ অনুভৱ কৰো। ইয়াৰ বিপৰীতে আমি যদি ইতিবাচক কথাবোৰত বিশ্বাস কৰোঁ যেনে- ‘মই সকলো কৰিব পাৰো’, ‘একোৱেই কঠিন নহয়’, ‘টেনচনে মোক স্পৰ্শও কৰিব নোৱাৰে’, ‘ভগৱান মোৰ সংগী’, এনেবোৰ চিন্তাধাৰায় আমাক সফলতাৰ অনুভৱ কৰাব। “যদি আমি দুখ, বেদনা, ভয়, অশান্তি আদি অনুভৱ কৰো, তেন্তে আমাৰ বিশ্বাস নিশ্চিতভাৱে নেতিবাচক আৰু যদি আমি প্ৰেম, আনন্দ, শান্তি, সুখ আদি অনুভৱ কৰো তেন্তে আমাৰ বিশ্বাস সত্য আৰু ইতিবাচক”।

যদি আমি নেতিবাচক বিশ্বাসক ইতিবাচক বিশ্বাসলৈ সলনি কৰো তেন্তে জীৱনটো সুখী আৰু শান্তিপূৰ্ণ হৈ পৰিব। কিছুমান মানুহে পুৰণি বিশ্বাস,

*(আঠ পৃষ্ঠাত চাওক)*

# বাঘ হাজৰিকা উপেক্ষিত নেকি !

অঞ্জু শাণ্ডিল্য



বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাই কৈছিল, “অকল যুদ্ধ সামগ্ৰীৰে যুদ্ধ জয় কৰিব নোৱাৰি। ইয়াৰ কাৰণে আহিলা-পাতিৰ যিমান প্ৰয়োজন, তাতকৈ বেছি প্ৰয়োজন সৈনিকবৃন্দ আৰু সমগ্ৰ জাতিৰ স্বাৰ্থহীন মনোবৃত্তি, কৰ্মনিষ্ঠা আৰু যুদ্ধ জয়ৰ কাৰণে উত্ৰাৱল অথচ নিশ্চিত অভিলষ।” আৰু কৈছিল- বাঘ হাজৰিকাই মোগলৰ যুদ্ধ প্ৰণালী আৰু কায়দা জানিছিল। তেওঁ লাচিত বৰফুকনৰ লগত থাকি মোগলৰ যুদ্ধ প্ৰণালীৰ সংকেত কোৱাত লাচিত বৰফুকনে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি বিদেশীক পৰাস্ত কৰিবলৈ সুবিধা পাইছিল। (স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ)।

সন্দেহ নাই লাচিত বৰফুকন মহাযোদ্ধা। নহ’লেনো বৰফুকন হ’ব পাৰেনে ? জেৰ্জ ডি হেলচিয়ে কৈ গৈছে ‘এজন নেতাৰ থাকিবলগীয়া চৌব্বিশটা গুণৰ আটাইবোৰ গুণ লাচিত বৰফুকনৰ গাত আছিল।’ (কেনেকৈ নেতা হ’ব পাৰি)।

কিন্তু শৰাইঘাট ৰণৰ লগত বাঘ হাজৰিকাৰ সম্পৰ্ক কি ? কোন এই বাঘ হাজৰিকা ? প্ৰতি বছৰে ২৪ নৱেম্বৰত ৰাজ্যৰ ঠায়ে ঠায়ে লাচিত দিৱস পালন কৰা হয়। এই বছৰ বীৰজনাৰ চাৰিশ বছৰীয়া জয়ন্তী ৰাজ্য চৰকাৰে ধুমধামেৰে পালন কৰিছে। ৰাজধানী চহৰ দিল্লীতো আয়োজন চলিছে। কিন্তু বীৰ লাচিতৰ মহাযোদ্ধা বাঘ হাজৰিকাৰ কথা সকলোৱে পাহৰিলে। অথচ বাঘ হাজৰিকা অবিহনে শৰাইঘাট ৰণত লাচিতে মোগলক পৰাস্ত কৰা সম্ভৱ নাছিল। এই কথাৰ আঁত ল’বলৈ স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনলৈ উভতি যাব লাগিব। মোগলৰ লগত যুদ্ধত হাৰি জয়ধ্বজ সিংহই মোগলৰ লগত সন্ধি কৰি গুৱাহাটী মোগলক এৰি দিয়াৰ লগতে ৰমণী গাভৰুক মোগল সম্ৰাট ঔৰংগজেৱৰ পুত্ৰ আজমতাৰালৈ বিয়া দিয়ে আৰু বছৰি সম্ৰাটক কৰ-কাটল দিয়ে। জয়ধ্বজ সিংহৰ মৃত্যুৰ পিচত ৰজা চক্ৰধ্বজ সিংহই ৰাজপাটত উঠিয়েই গুৱাহাটী মোগলৰ কবলৰ পৰা উদ্ধাৰ কৰা চেষ্টা কৰে। লাচিত বৰফুকনৰ সেনাপতিত্বত অসমীয়া সেনাই কাজলী, বাঁহবাৰী, ইটাখুলি, চাহবুৰুজ, লতাশিল, পাণ্ডু, উমানন্দ, মানাহ, আগিয়াঠুৰী, শৰাইঘাট, নগৰবেৰা, ৰঙামাটি, চেঁচা, শুৱালকুছি, কুৰুৱা আদি ঠাইত নৌযুদ্ধ আৰু স্থলযুদ্ধত মোগল সেনাপতি ৰামসিংহক পৰাস্ত কৰে। লাচিতৰ লগত ছাঁৰ দৰে আছিল বাঘ হাজৰিকা। এই বাঘ হাজৰিকাৰ আচল নাম ইছমাইল ছিদ্দিকী। ইছমাইল ছিদ্দিকী যুদ্ধ বিদ্যাত পাৰ্গত হোৱাৰ উপৰি এজন শিল্পীও আছিল। দিল্লীবাসী ইছমাইল ছিদ্দিকীক ৰমণী গাভৰুৱে আহোম ৰাজ্যলৈ পঠাইছিল। আগে-পিচেও আহোম

*(ন পৃষ্ঠাত চাওক)*

# হিতোপদেশ

নিতিস্মান দাস,অষ্টম শ্ৰেণী



যিলোকে অধিককৈ খং কৰি থাকে,
নিজকেই নিজেই সি সৰ্বনাশ কৰে।
থাকে যদি কাৰোবাৰ অহংকাৰী মন,
নিশ্চয় এদিন তাৰ হব পতন।
কেতিয়াও কাৰোবাক নকৰিবা ঘৃণা,
অথবা তুমি এদিন নিজেই ঘৃণিত হ’বা।
কাৰো অন্তৰত আঘাত নিদিবা,
ভগৱান আৰু তুমি নিজেই কষ্ট পাবা।
কেতিয়াও কাকো ফাঁকি নিদিবা,
অথবা তুমি নিজেই বিপদত পৰিবা ।
মিছা কথা তুমি কেতিয়াও নকবা,
নহলে তুমি অবিশ্বাসৰ পাত্ৰ হ’বা।
কেতিয়াও কাকো সন্দেহ নকৰিবা,
নহলে তুমি নিজেই অশান্তি পাবা।
যিয়েই বেছিকৈ আত্মগৌৰৱ কৰিব,
নিশ্চয় তাৰ মনোমালিন্য হব।
মিছা কথাত কেতিয়াও কাণ নিদিবা,
অথবা তুমি কৰ্তব্যচ্যুত হ’বা।
তুমি কেতিয়াও মান নাচাবা,
নহলে তুমি অপমানিত হ’বা।
আকৃতি আৰু প্ৰকৃতিত লক্ষ্য নকৰিবা,
সকলো সমান এইটো ভাৱ ল’বা।
যিয়েই অসৎলোকৰ সঙ্গ দিব,
তাৰ চৰিত্ৰ নিশ্চয় কলংকৃত হব।
যিয়েই অবৈধ চিন্তা বেছিকৈ কৰিব,
তাৰ মন নিশ্চয় কলুষিত হব।
অথবা সময় কেতিয়াও নষ্ট নকৰিবা,
অথবা নিজেই তুমি অনুতপ্ত হ’বা।
যি লৰা-ছোৱালীয়ে পিতৃ-মাতৃৰ কথা নুশুনে,
সেই লৰা-ছোৱালী এদিন বিপদত পৰে।

# বৰ্ণ- বৈষম্য

সংগীতা বৰুৱা, গুৱাহাটী



মোৰ বুকুত ক্ৰমান্বয়ে ওখ হৈ উঠে দেৱালখন ।
তুমি ৰ’দ চুব খোজা
বৰষুণ হৈ বাগৰি আহে বাৰিষা
তোমাৰ বাৰীৰ আগফালে তুমি
খুউব আশাৰে লগোৱা
ডালিয়া নাৰ্জী খৰিকাজাই
লতা এডাল বগাই আহি সোমাইহি
মোৰ ৰ’দেপোৱা আগচোতাল
আহি মোক সোধে :
“ দেৱালখন গাঁথোতে
গছজোপা কঁওতে শিপাডাল তুমি
ক’ত পোতিলা ? ”

# পশ্চিম কাৰ্বি আংলং-মেঘালয়

হয় এই ঘটনা। চোৰাং কাঠভৰ্তি বাহন জব্দ কৰাৰ পিছতে এই সংঘাতৰ সৃষ্টি হৈছিল । আৰক্ষীয়ে বাহনখন আনিবলৈ যাওঁতেই সংঘাতৰ সৃষ্টি হয় । আৰক্ষীয়ে ট্ৰাকখনলৈ লক্ষ্য কৰি চলাইছিল গুলী । আৰক্ষীৰ গুলীত ফুটিছিল ট্ৰাকৰ চকা। ট্ৰাকখন জব্দ কৰিবলৈ যাওঁতেই সৃষ্টি হয় উত্তেজনাৰ ।হাতে হাতে যাঠি লৈ আৰক্ষীৰ লোকক আক্ৰমণ কৰে দুৰ্বৃত্তই ।আৰক্ষী-বন বিভাগৰ দলক ঘেৰি ধৰিছিল ৩ শতাধিক লোকে । আত্মৰক্ষাৰ বাবে আৰক্ষীয়ে কৰা গুলীচালনাত নিহত হয় ৫ দুৰ্বৃত্ত। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত উত্তেজনাই বিৰাজ কৰিছে। ইফালে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মেঘালয় চৰকাৰে সংশ্লিষ্ট এলেকাৰ বিভিন্ন স্থানত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিছে । আনহাতে অসম চৰকাৰেও পৰিস্থিতিৰ যাতে অধিক অৱনতি নঘটে তাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে।

# জনপ্ৰিয় কাৰ্টুনিষ্ট চিৰঞ্জীৱ দত্তৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- জনপ্ৰিয় কাৰ্টুনিষ্ট চিৰঞ্জীৱ দত্ত আৰু নাই। আজি পুৱা তেওঁৰ মৃত্যু হয়। দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল দত্ত। কাৰ্টুনক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে চিৰঞ্জীৱ দত্তৰ। বিস্ময় আলোচনীযোগে জনপ্ৰিয় কাৰ্টুনিষ্ট গৰাকীৰ কাৰ্টুনে ব্যাপক চৰ্চা লাভ কৰিছিল। কাৰ্টুন শিল্পৰ মাজত চিৰমূৰ্তমান হৈ থাকিব চিৰঞ্জীৱ দত্ত। কাৰ্টু নিষ্ট গৰাকীৰ অন্তিম অন্ত্যেষ্টিক্ৰিয়া শনিবাৰে নৱগ্ৰহ শ্মশানত অনুষ্ঠিত হ'ব। কাৰ্টুনিষ্ট গৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুখ প্ৰকাশ কৰে।




# আঘোণ

অৰুণা গোস্বামী, তিতাবৰ



কুঁৱলীৰে ঢকা সেউজীয়া পথাৰখন
সোণোৱালী হৈ পৰিল,
এতিয়া পথাৰত সোণগুটি
বোটলাৰ বতৰ ।
কিন্তু তাহানিৰ দৰে মানুহৰ মনত
নাই কোনো উৎসাহ-উদ্দীপনা,
আমদানিকৃত দাৱনীৰ হাতলৈ মুখলৈ চাই
ৰৈ থাকে মানুহবোৰ ।
কৰ্ম বিমুখ হৈ পৰিছে আজিৰ মানুহ,
আগৰ দৰে নাই মানুহৰ তৎপৰতা ।
নুশুনো আজি শিশুহঁতৰ মুখত
নৰাৰে সজা পেঁপাৰ মাত
পথাৰত ল'ৰাহঁতৰ নাই দৌৰা-দৌৰি,
ম'বাইলত ব্যস্ত আজি
নাই অলপো আজৰি ।
লেছেৰি বোটলা, লুকা-ভাকু
আৰু যে কত কি ?
আধুনিকতাই গ্ৰাস কৰে
একেই আছে প্ৰকৃতি ।
দাৱনীহঁতৰো ৰৱাব টেঙা খোৱাৰ
চখ নাই দেখোন,
কৃত্ৰিমতাৰে ভৰা হ'লেও
এতিয়া কিন্তু আঘোণ ।

# বীৰ লাচিত বৰফুকন

ময়ূৰাক্ষী গগৈ



তোমাৰ হেনো নাম লা-চিত,
আমি কওঁ লাচিত।
তোমাৰ বীৰত্বই সোঁৱৰাই
অসমীয়াৰ প্ৰৱল পৰাক্ৰমৰ কথা।
যুগে যুগে জিলিকি ৰ'ব
তোমাৰ নাম বীৰ যোদ্ধা ৰূপে।
নিজ কষ্ট আৰু অধ্যৱসায়ে
তোমাক অধিষ্ঠিত কৰালে,
আহোম ৰাজ্যৰ বৰফুকনৰ পদত।
প্ৰধান সেনাপতি হৈ পৰিচয় দিলা,
প্ৰতিভা আৰু সাহসিকতাৰ।
শৰাইঘাটৰ বীৰ তুমি।
নিজ মোমাইক শিৰচ্ছেদ কৰি,
একে ৰাতিয়েই বান্ধিলা গড়।
মহা পৰাক্ৰমী মোগলক ভেটা দি,
ৰাখিলা দেশৰ নাম।
হে বীৰ তুমি অপৰাজেয়।
তুমি সাহস আৰু সংগ্ৰামৰ প্ৰতীক।
চাৰিশ বছৰীয়া জন্মজয়ন্তীত
তোমাক আজি শ্ৰদ্ধাৰে সোঁৱৰিছো ।

# মাটি-বাৰীৰ হিচাব-নিকাচ

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



" টাৰে টাৰে লোচা ধৰা
বিছ লোচাত কঠা ধৰা
এশ লোচাই বিঘা ধৰা "

প্ৰাচীন কালত জোখ মাখৰ বাবে সাধাৰণতে ভৰিৰ পতাৰ দৈৰ্ঘ্য ( এভৰি, দুভৰি...), হাতৰ আঙুলিৰ প্ৰস্থ ( দুআঙুল, তিনি আঙুল...), হাতৰ দৈৰ্ঘ্যক ব্যৱহাৰ কৰিছিল। প্ৰাচীন মিছৰত হাতৰ কিলাকুটিৰ পৰা হাতৰ আঙুলিলৈকে এহাত হিচাপে ব্যৱহাৰ কৰিছিল আৰু এই জোখ পৃথিৱীৰ আন ঠাইতো প্ৰচলন হৈছিল। তাৰোপৰি হাতৰ আঙুলি মেলি বুঢ়া আঙুলি আৰু মধ্যমা আঙুলিৰ মাজৰ দূৰত্বক এবেগেত, দুবাৰ জুখিবলৈ হ'লে দুবেগেত আদি ব্যৱহাৰ কৰা দেখা যায়। কিন্তু সকলোৰে হাত ভৰিৰ জোখ সমান নহয় বাবে সঠিক জোখ মাখ পোৱা নাযায়।

মাটি-বাৰীৰ জোখ মাখৰ পদ্ধতি সুকীয়া। কিন্তু মাটি-বাৰীৰ জোখ মাখৰ ক্ষেত্ৰত সাধাৰণতে পুৰণি জনপ্ৰিয় পদ্ধতিটো হৈছে উপৰোক্ত বচনফাকি। পুৰণি পদ্ধতিটো হৈছে- দীঘৰ একক সমূহ

১২ ইঞ্চি = ১ ফুট ; ৩ ফুট = ১ গজ ;
৪ গজ = ১ টাৱ; ১২ ফুট = ১ টাৰ বা ১ নল
১৭৬০ গজ = ১ মাইল

কালিৰ একক সমূহ হ'ব-
১টাৰ x ১ টাৰ = ১ বৰ্গটাৰ=১৪৪বৰ্গফুট=১লোচা ।
১৬ (৪ x ৪ ) বৰ্গ গজ=১ লোচা।
২০ লোচা= ২০ x ১৪৪ বৰ্গফুট
= ২৮৮০ বৰ্গফুট = ১কঠা ।
৫কঠা = (৫ x ২০) ১০০ লোচা = ১বিঘা = ২৮৮০ x ৫ বৰ্গফুট=১৪,৪০০ বৰ্গফুট ।
আকৌ ৪ বিঘা = ১ পুৰা=৪ x ১৪,৪০০ বৰ্গফুট= ৫৭,৬০০ বৰ্গফুট ।

বৰ্তমানৰ মেট্ৰিক পদ্ধতিত-
১ বৰ্গ মিটাৰ = ১ছেণ্টি আৰ
১০০ বৰ্গ মিটাৰ = ১ আৰ
১০,০০০ বৰ্গ মিটাৰ = ১০০ আৰ = ১ হেক্টৰ ।

পুৰণি আৰু নতুন পদ্ধতিৰ মাজৰ সম্পৰ্ক -
১ ইঞ্চি = ২৫.৪০ মিলি মিটাৰ,
১ মি.মি. = ০.০৪ ইঞ্চি
১ ফুট = .৩ মিটাৰ; ১মিটাৰ = ১.০৯ গজ
১ গজ = ০.৯১ মিটাৰ, ১ মি = ৩৯.৩৭ ইঞ্চি
১ মাইল=১.৬১ কি:মি:,
১ কি:মি: = ০.৬২ মাইল।
১ লোচা = ১৩.০০ বৰ্গ মিটাৰ,
১ লোচা =১৬ বৰ্গ গজ।
১ কঠা = ২.৬৮৮ আৰ,
১ বিঘা =১৩.৪৪ আৰ।
১ বৰ্গ মিটাৰ = ১.২ বৰ্গ গজ।
১ হেক্টৰ = ২.৫ একৰ
১ হেক্টৰ = ১০০ আৰ।
১ বৰ্গ গজ = ০.৮৪ বৰ্গ মিটাৰ
১ বৰ্গ মিটাৰ = ১ ছেণ্টি আৰ।

পুৰণি পদ্ধতিত থকা ৩ বিঘা ২ কঠা ১৫ লোচা মেট্ৰিক পদ্ধতিত উলিয়াই চাওঁচোন-
১৫ লোচা=১৫ x ১৪৪ বৰ্গফুট
= ২১৬০ বৰ্গফুট।
২ কঠা = ২ x ২৮৮০ বৰ্গফুট
= ৫৭৬০ বৰ্গফুট।
৩ বিঘা = ৩ x ১৪, ৪০০ বৰ্গফুট
= ৪৩,২০০ বৰ্গফুট।
মুঠ মাটি হ'ব=(২১৬০ + ৫৭৬০ + ৪৩,২০০) বৰ্গফুট
=৫১,১২০ বৰ্গফুট।

বৰ্তমানৰ পাঠ্যপুথিৰ পৰা মাটি-বাৰীৰ জোখ মাখ আতঁৰাই নিলে যদিও ব্যৱহাৰিক ক্ষেত্ৰত ইয়াৰ প্ৰয়োগ আছে। ককাদেউতাৰ পুৰণি মাটি ডৰাৰ হিচাপ এটা মেট্ৰিক পদ্ধতিত কৰি চাবাচোন । মাটিৰ পৰিমাণ ১ বিঘাতকৈ ১৫ লোচা কম আছে।

# Importance of Education

**Rajlakshmi Borthakur,**
**Debraj Roy College Golaghat**




Education is a weapon to improve one's life . It is probably the most important tool to change one's life. Education for a child begins at home. It is a life long process that ends with death. Education certainly determines the quality of an individual's life. Education improves one's knowledge, skills and develops the personality and attitude . Most note worthy, Education affects the chances of employment for people. A highly educated individual is probably very likely to get a good job . First of all Education teaches the ability to read and write. Reading and writing is the first step in education. Most information is done by writing. Hence, the lack of writing skill means missing out on a lot of information. Consequently,Education makes people literate. Above all, Education is extremely important for employment.


জনতাৰ চৰকাৰ
my GOV
मेरी सरकार
GOVERNMENT OF ASSAM
অসম চৰকাৰ
অসম চৰকাৰৰ দায়বদ্ধতা
আৰ্তজনৰ আৰ্থিক নিৰাপত্তা
১০ তাৰিখ
পেঞ্চন আৰু
অৰুণোদয়ৰ দিন
প্ৰতিমাহৰ ১০ তাৰিখে
হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
মুঠ হিতাধিকাৰী - ৩৯,৯৯,৪৭০গৰাকী
প্ৰতিমাহে ধন আদায় - ২৯২.০৩ কোটি টকা
আঁচনিসমূহ
অৰুণোদয়
শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
দীনদয়াল দিব্যাংগজন সাহায্য
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
JANASANYOG- 3161/22
অৰুণোদয় আঁচনিৰ প্ৰতিগৰাকী
হিতাধিকাৰীলৈ অক্টোবৰ, ২০২২ৰ পৰা
বিদ্যুৎ মাচুলৰ সাহায্য হিচাপে প্ৰতিমাহে অতিৰিক্ত ২৫০ টকাকৈ
সৰ্বমুঠ লাভ কৰিছে ১,২৫০ টকা
তথ্য আৰু জনসংযোগ সঞ্চালকালয়,অসমৰ দ্বাৰা প্ৰচাৰিত
Subscribe to Asom Barta
Whatsapp 'Assam' at 8287912158

# তাহানিৰ সেই নৈ খন

**হেমন্ত কুমাৰ বৰা**



ক'ব নোৱাৰা
বহু কথা নৈ খনে
ক'বলৈ বিচাৰে !
বুজিব নোৱাৰা
বহু সাথৰৰ উত্তৰ
নৈ খনে দিবলৈ
বিচাৰে!
চিনিব নোৱাৰা
বহু অচিন বস্তু
নৈ খনে চিনাই
দিবলৈ বিচাৰে ...
যুগ-যুগ ধৰি
অজস্ৰ বোজা
বহন কৰা নৈ খন
এতিয়া মৃতপ্ৰায় !!
বোজাৰ
ভাৰে নৈখনক
ভাগৰুৱা কৰি
তুলিছে !
কিন্তু নৈখনৰ
বুকুৰ বেদনাৰ
হিচাপ ল'বলৈ
কাষত কোনো নাই!
মই মোৰ জীয়া
কলংখনৰ পৰাই
ক'বলৈ বিচাৰিছোঁ !!
সহস্ৰ বছৰ
বোজা বহন কৰি
নৈ খন এতিয়া
ক্লান্ত!
কোনোবাই জীয়াই
তুলিব পাৰিবনে,
মোৰ স্নেহৰ
কলংখনক??

# শিক্ষা

**সংযুক্তা দত্ত,**
**দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়।**



'শিক্ষাই পৰম ধন' উক্ত বাক্যশাৰী আমি সৰুৰে পৰা শুনি আহিছো শিকি আহিছো। শিক্ষা অবিহনে জীৱন অকল্পনীয়। শিক্ষাই সমাজৰ পৰিৱৰ্তন সাধন কৰে। শিক্ষাই অন্ধবিশ্বাস দূৰ কৰে। শিক্ষা সদায় সকলোৰে বাবে সমান। শিক্ষা নিচিনা পবিত্ৰ বস্তু একোৱেই নাই। শিক্ষাৰ দ্বাৰা অসম্ভৱো সম্ভৱ হয়। সমাজক এক নতুন দিশ দেখুৱাই আগুৱাই নিয়াত কিন্তু এই শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আমি যিকোনো বিষয়ৰ ওপৰত যিয়ে নিশিকো কিয় সেই শিক্ষাই কিন্তু এদিন নহয় এদিন আমাক সহায় কৰিবই। সেইকাৰণেই হয়তো কয় - 'শিক্ষাই পৰম ধন।'

# বিশ্বাস হৈছে জীৱন শক্তি

ৰীতি-নীতিক অমান্য কৰে, সেইবোৰ সলনি কৰিব নিবিচাৰে বা এৰি যাব নিবিচাৰে, তেতিয়া তেওঁলোকে জীৱনত নতুনত্ব আৰু সুখ অনুভৱ কৰিবলৈ সক্ষম নহয়। পৰিস্থিতি প্ৰতিকুল হ'ব পাৰে, কিন্তু আমি যদি ইতিবাচক হওঁ, তেনেহ'লে পৰিস্থিতি ক্ৰমান্বয়ে আমাৰ বাবে অনুকুল হৈ পৰিব। বিশ্বাস হৈছে জীৱনৰ শক্তি। আমি যিবোৰ বস্তুত বিশ্বাস কৰোঁ, আত্মাৰ সকলো শক্তি সেই দিশত বৈ যাবলৈ আৰম্ভ কৰে। মহাভাৰতত একলব্যৰ কথা বৰ্ণনা কৰা হৈছে, তেওঁক গুৰু দ্ৰোণে শিক্ষা নিদিয়াৰ পিছতো নিজকে শ্ৰেষ্ঠ ধনুৰ্ধৰ বুলি দেখুৱাইছিল, কাৰণ তেওঁ বিশ্বাসক নিজৰ শক্তি কৰি লৈছিল। আজিও ভকত সকলে বিচৰা ফল কেনেকৈ পায়? য'ত দেৱতাসকল হাজাৰ বছৰ আগতেহে আছিল। তেওঁৰ মূৰ্তিত শক্তি আছে নে সাধকৰ বিশ্বাসত শক্তি আছে? জ্যোতিষীসকলে ৰত্নৰ আঙঠি দি কয়, আপোনাৰ কাম হ'ব, নিশ্চয় হ'ব। ই কাম কৰে কিন্তু কেনেকৈ? কাৰণ সেই ব্যক্তিজনৰ বিশ্বাস হৈ গৈছে যে- মোৰ কাম হৈ যাব। এতিয়া আঙঠিত ক্ষমতা আছে নে ব্যক্তিজনৰ বিশ্বাসত? বহুতে কয়, আমি ঈশ্বৰক কিয় বিশ্বাস কৰা উচিত? ইয়াৰ পৰা আমি কেনেদৰে লাভৱান হ'ম? আমি বিশ্বাস কৰোঁ কাৰণ ইয়াৰ দ্বাৰা আমাৰ অনুভৱবোৰ সুন্দৰ হ'ব, অনুভূতিবোৰ আনন্দময় হ'ব, আমাৰ চিন্তাবোৰ ইতিবাচক হৈ পৰিব আৰু জীৱনটো সহজ হৈ পৰিব, আমাৰ মনটোৱে বেয়াবোৰ এৰি দিব আৰু জীৱনত সুখ-শান্তিৰ অনুভূতি বাঢ়িব। আজিকালি আনকি বিজ্ঞানীসকলেও বিশ্বাস কৰে যে আধ্যাত্মিকতাই নেতিবাচকতা নিৰ্মূল কৰিব পাৰে আৰু এটা গৱেষণাৰ মতে বিশ্বাসীসকলতকৈ নাস্তিকসকল বেছি বেমাৰত পৰে। ঈশ্বৰৰ ওপৰত বিশ্বাসে আমাক স্বাস্থ্য, সুখ, আনন্দ সকলো দিয়ে।

আমিও নিজৰ ওপৰত বিশ্বাস কৰা উচিত, আমি যিদৰে আছো সেইদৰে ভাল। 'মই সৰ্বশক্তিমান ঈশ্বৰৰ সন্তান, যদি আপুনি কোনো কাম এই দৃঢ়তাৰে কৰে, তেন্তে আপুনি নিশ্চিতভাৱে সফলতা লাভ কৰিব। যিজন ব্যক্তিয়ে নিজকে বিশ্বাস নকৰে, তেওঁ সদায় ভাবে, মই কৰিম নে নকৰোঁ, মই কৰিব পাৰিম নে নোৱাৰিম। এনে ব্যক্তিয়ে জীৱনত একো সাধন কৰিব নোৱাৰে, গতিকে এই সন্দেহৰ কৃমিটো উলিয়াই আনি নিজৰ ওপৰত বিশ্বাস কৰক। সন্দেহৰ কৃমিয়ে বিশ্বাসক খাই পেলায়। আত্মসন্মান আৰু আত্মবিশ্বাসেৰে ভৰা এজন ব্যক্তিয়ে সকলোৰে ওপৰত নিজৰ ছাপ এৰি দিয়ে। সম্পৰ্কতো আমি যদি ইজনে সিজনক বিশ্বাস কৰোঁ, তেতিয়া সম্পৰ্কটো মধুৰ, স্বচ্ছ আৰু সুন্দৰ হৈ পৰে। আজিকালি সম্পৰ্কৰ তিক্ততা আৰু বিচ্ছিন্ন হোৱাৰ কাৰণো ইজনে সিজনৰ প্ৰতি বিশ্বাসৰ অভাৱ। গতিকে আত্মসন্মান বৃদ্ধি কৰি নিজকে বিশ্বাসেৰে ভৰাই তোলক।

# সপ্তাহত দুদিনকৈ জ্যোতিচিত্ৰবনত প্ৰদৰ্শন হওক অসমীয়া ছবি

**গোপাল জালান**



অসমীয়া ছবিত দৰ্শক নাই। অসমীয়া ছবি নচলে। অসমীয়া ছবিৰ প্ৰতি দৰ্শকৰ আগ্ৰহ কম। অসমীয়া ছবিক নৱ প্ৰজন্মই গুৰুত্ব নিদিয়ে... ইত্যাদি কথাবোৰ দীৰ্ঘদিনৰ পৰাই শুনি আহিছো। ভৱিষ্যতেও শুনিয়েই থাকিব লাগিব। কিন্তু সেইবোৰ কথাৰ ওপৰত কিমান গৰাকীয়ে সূক্ষ্ম আৰু গঠনমূলক পৰামৰ্শ আগবঢ়াইছে। কেৱল নেতিবাচক মনোভাবেৰেই আমিবোৰ আগুৱাই গৈছো। আমি আত্মসমালোচনা আৰু আত্মবিশ্লেষণ নকৰাকৈয়ে এইবোৰৰ কথা সদায় কৈ আহিছো। আনকি এইবোৰ কথা শুনি শুনি বহুতেই বিৰক্ত। আনহাতে বহুলোকেই এনে ধৰণৰ চৰ্চিত বচন শুনিবলৈ আগ্ৰহীয়েই নহয়। আমি সদায় অসমীয়া চলচ্চিত্ৰ সন্দৰ্ভত নেতিবাচক মনোভাৱেৰে আগুৱাইছো বাবেই আজিলৈকে এই সন্দৰ্ভত ইতিবাচক আলোচনা হোৱা নাই। দৰাচলতে অসমীয়া চিনেমাৰ মান নিম্ন নে আৰু নেতিবাচক প্ৰচাৰ সদায় চলাই আহিছো বাবে আজিও এই পৰিধিৰ পৰা ওলাব পৰা নাই। এইখিনিক এই কথা মনলৈ আহিছে— অসমীয়া ছবিত দৰ্শক নাই, নে দৰ্শকক আকৰ্ষণ কৰিবলৈ যিবোৰ পদক্ষেপৰ প্ৰয়োজন সেয়া আমি ভালদৰে বিশ্লেষণ কৰিব পৰা নাই? কেৱল সমালোচনাৰে সমস্যাৰ সমাধান কৰিব নোৱাৰি। ইয়াৰ বাবে প্ৰয়োজন উপযুক্ত পৰিকল্পনাৰ। জ্যোতি চিত্ৰবন বুলি ক'লেই সকলোৱে মনলৈ আহে অসমীয়া ছবিৰ কথা। অসমীয়া চলচ্চিত্ৰৰ সৈতে জড়িত হৈ থকা জ্যোতি চিত্ৰবন হৈছে এনে একক্ষেত্ৰ য'ত প্ৰচুৰ সমল বিচাৰি পোৱা যায়। অসমীয়া চলচ্চিত্ৰ জগতৰ আত্মা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেয়েহে সম্প্ৰতি অসমীয়া ছবি ছবিগৃহত নচলে বুলি চলি থকা কথাৰ অন্ত পেলাবলৈ জ্যোতি চিত্ৰবনে বিশেষভাৱ পদক্ষেপ গ্ৰহণ কৰাৰ থল আছে। বহুতো দৰ্শকৰ এতিয়া চিনেমা চোৱাৰ ইচ্ছা থকাৰ পিছতো অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'লৰ টিকটৰ উচ্চ হাৰ হোৱা বাবে এখোজ আগুৱাই দুখোজ পিছুৱাবলগীয়া হৈছে। কাৰণ যি সকলে চিনেমা চাব খোজে তেওঁলোকৰ হাতত যিমান ধনৰ প্ৰয়োজন তাৰ অৰ্ধেকো লগত নাথাকে। আনহাতে, বহুতো চিনেমা হলত দৰ্শক থকাৰ পিছতো এসপ্তাহ চলোৱাৰ লগে লগেই বন্ধ কৰি দিয়ে। হিন্দী অথবা ইংৰাজী ছবি প্ৰদৰ্শন কৰে। এইবোৰত টিকটৰ বাবে হেতা

(নপৃষ্ঠাত চাওক)

# বাঘ হাজৰিকা উপেক্ষিত নেকি !

ৰাজ্যলৈ বংগ-গৌড় আদিৰ পৰা শিল্পীসকলক আহোম ৰজাই নিস-সন্মানেৰে পদবী-খিতাপ আদি প্রদান কৰি আহোম ৰাজ্যত প্রতিষ্ঠিত কৰিছিল। ইছমাইল ছিদ্দিকীয়ে পিতৃ-মাতৃ, আত্মীয়-স্বজন সকলোকে এৰি থৈ আহোম ৰাজ্যলৈ আহিছিল। দিল্লীৰ পৰা অহা পাহুৱাল, যুদ্ধবিদ্যা, কাৰিকৰী বিদ্যাত পাৰ্গত যুৱকজনক স্বৰ্গদেৱে হাঁহচৰাৰ দৰিকাদাঁতিৰ গৰিয়াজানৰ পাৰত থকাৰ সু-বন্দৱস্ত কৰি দিছিল। গাঁওখনত থাকিবলৈ লৈ ইছমাইল ছিদ্দিকীয়ে আহোম ৰাজ্যক মাতৃভূমিৰূপে আঁকোৱালি ল'লে। কাৰণ আহোম ৰাজ্যৰ মাটি-পানী-বায়ু-আহাৰেৰে তেওঁ পুষ্ট। গতিকে সেই ৰাজ্যৰ সুখ-দুখেই তেওঁৰো সুখ-দুখ। তেওঁ বাস কৰা গাঁওখনত বাঘে সন্ত্ৰাসৰ সৃষ্টি কৰাত ইছমাইল ছিদ্দিকীয়ে খালী হাতেৰে অৰ্থাৎ হাতত কোনো অস্ত্ৰ নোহোৱাকৈ বাঘ এটা ধৰি গাঁওবাসীক ৰক্ষা কৰে। এই কথা স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ কাণত পৰাত বাঘ হাজৰিকা উপাধি প্রদান কৰে আৰু শৰাইঘাটৰ ৰণত লাচিত বৰফুকনৰ পালি সেনাপতিৰো পদ অৰ্পণ কৰে। পালি সেনাপতিৰূপে লাচিত বৰফুকনৰ লগত সহযোগী হয়। যুদ্ধৰ মাজতে লাচিত বৰফুকনৰ তীৱকঁপে জ্বৰ উঠে। নৰিয়া গাৰেই বাঘ হাজৰিকাৰ দিহা-পৰামৰ্শ, সাহায্যত যুদ্ধ কৰি মোগলক পৰাস্ত কৰে। লাচিতৰ দৰে বাঘ হাজৰিকায়ো দেখুৱাই গ'ল বিশ্বক অবিস্মৰণীয় আদৰ্শ- 'দেশতকৈ জাতি-ধৰ্ম ডাঙৰ নহয়।' বাঘ হাজৰিকা মুছলমান হৈও মাতৃভূমি অসম আক্ৰমণ কৰা মুছলমানৰ বিৰুদ্ধে অসীম পৰাক্ৰমেৰে যুদ্ধ কৰিছিল। লাচিত বৰফুকন আৰু বাঘ হাজৰিকা অসম আৰু অসমীয়াৰ বাবে গৌৰৱ-আদৰ্শ। দুয়োজনেই অসম বুৰঞ্জীৰ উজ্জ্বল নক্ষত্ৰ। বাঘ হাজৰিকাৰ মতে শৰাইঘাটৰ ৰণত মোগলৰ বিৰুদ্ধে আহোম সেনাই যুদ্ধ কৰিলেও প্ৰকৃততে মুছলমানৰ বিৰুদ্ধে যুদ্ধ কৰা নাছিল। মোগলৰ সেই সময়ৰ সেনাপতি আছিল ৰাজপুত বীৰ ৰামসিংহ আৰু আহোম তথা অসমীয়া সৈন্যবাহিনীত আছিল বাঘ হাজৰিকা, লাইধন খাঁ, ভেকুলী বৰুৱা, পেটুৱা আদিৰ দৰে অসংখ্য মুছলমান সম্প্রদায়ৰ লোক। আনহাতে, বীৰ লাচিতৰ প্রধান দেহৰক্ষী আছিল হিলৈধাৰী ভেকুলী বৰুৱা।

অসমখন পূৰ্বৰে পৰা বিভিন্ন জাতি-ধৰ্ম, জনগোষ্ঠী-সম্প্রদায়ৰ মিলনভূমি। অসমত বহু শতিকাৰে পৰা ইছলামধৰ্মী লোকসকলে শান্তি-সম্প্রীতিৰে বসবাস কৰি আহিছে। ১২২৮ খ্ৰীষ্টাব্দত অসমৰ তেতিয়াৰ দিনৰ সৌমাৰপীঠলৈ আহোমসকল অহাৰ সময়তে কামপীঠলৈ মুছলমানসকল আহিছিল। তেতিয়াৰ পৰাই অসমত হিন্দু-মুছলমানৰ সম্প্রীতি হয় বুলি ক'ব পাৰি। ১২৬০ খ্ৰীষ্টাব্দত মহম্মদ বিন বখতিয়াৰ খিলিজীয়ে অসম আক্ৰমণ কৰাৰ পিচত পৰাজয় বৰণ কৰি বহুতো মুছলমান যুদ্ধবন্দী হৈ অসমতে থাকি যায়। সেইসকল হৈ পৰে অসমীয়া মুছলমান। আহোম ৰাজত্ব কালত নিজ কাৰ্যদক্ষতা, যোগ্যতা অনুসৰি বহু মুছলমান লোকে ৰাজসভাত পদমৰ্যাদা লাভ কৰিছিল। মোগলে সোতৰবাৰ অসম আক্ৰমণ কৰিছিল। এই আক্ৰমণৰ ফলত বহুতো মোগল সৈন্য, যুদ্ধবন্দী অসমতে থাকি অসমীয়া ছোৱালী বিয়া কৰাই অসমৰে অসমীয়া হৈ পৰে। লাচিত বৰফুকনৰ লগত এইসকলৰ বহুতেই (অসমীয়া মুছলমান সেনা) মোগলৰ বিৰুদ্ধে যুঁজত নামিছিল। ইতিহাসে সাক্ষ্য দিয়ে অতীজৰে পৰা অসমত হিন্দু-মুছলমানৰ মাজত সাম্প্রদায়িক সংঘৰ্ষৰ সৃষ্টি হোৱা নাই। সাম্প্রতিক সময়ত বীৰযোদ্ধাসকলৰ স্মৃতি যুগমীয়া কৰিবলৈ চৰকাৰীভাৱে আৰু বহু জাতীয় সংগঠনে বিভিন্ন পদক্ষেপ লৈছে।

আজি লাচিত বৰফুকনৰ মৈদামক্ষেত্ৰ এক আকৰ্ষণীয় পৰ্যটনক্ষেত্ৰৰূপে জিলিকি আছে। কিন্তু বাঘ হাজৰিকা যেন উপেক্ষিত হৈ ৰ'ল। বিশেষকৈ চৰকাৰীভাৱে উপেক্ষিত-অনাদৃত হৈ ৰ'ল। আহোম ৰজাই বাঘ হাজৰিকাক শৰাইঘাট ৰণত বিজয়ী হৈ ঘূৰি অহাৰ পিচত হাৰিপাৰা আলিৰ কাষত এশ পুৰা মাটিৰে এটা পুখুৰী খন্দাই দিয়ে আৰু এখন আহল-বহল বাৰীৰে এটা বাসগৃহ সজাই দিয়ে। ইয়াতেই বাঘ হাজৰিকাৰ পৰিয়ালে বাস কৰিছিল। পিচত মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণৰ বাবে বাঘ হাজৰিকাৰ বংশ পৰিয়াল ইয়াৰ পৰা আঁতৰি যায়। যোৰহাট, ডিব্ৰুগড়, গুৱাহাটীত বাঘ হাজৰিকাৰ বংশ পৰিয়াল আজিও আছে। গৰিয়াজানৰ কাষৰ গৰিয়াগাঁৱত কেৱল বাঘ হাজৰিকাৰ স্মৃতি বহন কৰি আছে বাসস্থানৰ মাটি-ভেটি, পাটনাদ আদিয়ে। আৰু আছে বাঘধৰা পুখুৰী, বাঘধৰা হাইস্কুলখন, কিন্তু সংৰক্ষণৰ অভাৱত গৰিয়া গাঁওখন জহি-খহি গৈছে। ইকবানি আদিৰো চিন-চাব নোহোৱা কৰিছে। এতিয়াও গাঁওখনত ঘৰ-দুৱাৰৰ ভেটি, মছজিদৰ ভেটি, মৌলবীৰ ভেটি, পাটনাদ, বাৰী আদিৰ চিহ্ন আছে। গাঁওখন গৰিয়াজানৰ পৰা দক্ষিণে নৈৰ কাষলৈকে প্ৰায় দুই কিলোমিটাৰমান জুৰি আছিল। বৰ্তমান গাঁওখন হাবি-বননিৰে ডাক খাই পূৰ্বৰ গাঁওখনৰ স্মৃতি নোহোৱা কৰিছে। নোহোৱা কৰিছে বাঘ হাজৰিকাৰ স্মৃতিও। আহোম স্বৰ্গদেউসকলে যোগ্যজনক সন্মান, পদবী দিয়াৰ উপৰি সেইসকলৰ নামত পুখুৰী, দলং আদি উচৰ্গা কৰিছিল। বৰ্তমান চৰকাৰে বাঘ হাজৰিকাৰ নামতো কিছু কাম কৰিব পাৰে। পৰ্যটনক্ষেত্ৰৰূপে গৰিয়া গাঁওখন সজাই-পৰাই তুলিব পাৰে। বাঘধৰা হাইস্কুলখনো উচ্চ শিক্ষাৰ প্রতিষ্ঠানৰূপে গঢ়ি তুলিব পাৰে। বাঘধৰা পুখুৰীটো সংৰক্ষণ কৰিব পাৰে। জনমানসত বাঘ হাজৰিকা জীয়াই থাকিব। আনহাতে যোৱা ২৫ জুলাইত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নতুন দিল্লীত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্রদান বৰুৱাৰ সৈতে প্রতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰি অসমত চাৰিখন সৈনিক স্কুল খোলাৰ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰে এখন স্কুল বাঘ হাজৰিকাৰ নামত স্থাপন কৰিলে বাঘ হাজৰিকাৰ স্মৃতি যুগমীয়া হৈৰ'ব। বীৰজনাৰ নামত আলি-পদুলি, দলং, অনুষ্ঠান আদিও নাই। নাজিৰাৰ পৰা গৰিয়া গাঁৱলৈ যোৱা পথটো বাঘ হাজৰিকাৰ নামত দিব পাৰে। সময় থাকোতেই গৰিয়া গাওঁখন সংৰক্ষণ নকৰিলে বাঘ হাজৰিকাই বসবাস কৰা গাওঁখনৰ চিন-মোকাম নাইকীয়া হ'ব। আনকি নাজিৰাৰ পৰা গৰিয়া গাওঁলৈ যোৱা পথটোৰ মূৰত নাজিৰাৰ আনোৱাৰা বেগমে ফলকখন আঁৰি নিদিয়া হ'লে এই গৰিয়া গাওঁখনো মানুহে চিনি নাপালেহেঁতেন। শৰাইঘাটে আজিও সোঁৱৰাই থাকিব বাঘ হাজৰিকাৰ দেশপ্রেম আৰু সাহসিকতাৰ কথা। আজিৰ প্ৰেক্ষাপটত বাঘ হাজৰিকাৰ প্রাসংগিকতাও সেয়ে অতি প্ৰয়োজনীয় হৈ পৰিছে।

## আঘোণ

**হিমাশ্ৰী বৰা, তিনিচুকীয়া**



হেমন্তৰ কুঁৱলীয়ে চৌপাশ ধৰিছে আৱৰি
শুভ্ৰ আচ্ছাদন ফালি, ৰ'দ কাঁচলিয়ে দিলেহি ;
নিয়ৰসিক্ত দুবৰিক শুষ্কতাৰ জাননী ।
সোণালী ধাননিয়ে মাতিছে ৰিঙিয়াই
পিক-ৰঙা ওঁঠেৰে হাঁহি বিৰিঙাই
দাৱনীও আহিছে ঢপলিয়াই...
লিহিৰী আঙুলি আৰু চিকমিক কাঁচিৰ আগত
লখিমীৰ সগৰ্বে আত্মসমৰ্পন,
পথাৰৰ আলিত বালিমাহীৰ সুললিত উপস্থাপন ।
সোগগুটিৰ মেটমৰা বোজা বিৰীয়াত ওলমে
কংক্ৰিটৰ পৃথিৱীৰ ৰাংঢালীজনীয়ে
ঘৰমূৰা হোৱা ৰংমনক খেপিয়াই ফুৰে
ওহোঁ, সামাজিকত নহয় !
কঠীয়াৰ পৰা ডাঙৰিলৈ
শ্যামলীৰ পৰা সোণালীলৈ
আশা আৰু শ্ৰমৰ বৰ্ণিল কাহিনী ৰচে আঘোণে ।

# সপ্তাহত দুদিনকৈ জ্যোতিচিত্ৰবন

ওপৰা নলগালেও চলাই থাকে। সেইবাবে জ্যোতি চিত্ৰবনত প্রতি শনিবাৰ আৰু দেওবাৰে দুটাকৈ দৰ্শনীত অসমীয়া ছবি প্রদৰ্শন কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো যিসকল চিনেমাপ্রেমী ৰাইজে ধনৰ অভাৱত ছবি উপভোগৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছে তেওঁলোকে নিশ্চয়কৈ সুবিধা পাব। সপ্তাহত দুদিনকৈ অসমীয়া ছবি প্রদৰ্শন কৰা হ'লে অসমীয়া ছবিৰ দৰ্শকৰ সংখ্যাও বৃদ্ধি হ'ব আৰু প্ৰযোজক তথা পৰিচালক সকলেও উৎসাহ পাব। যিমানেই এনে উৎসাহ লাভ কৰিব, সিমানেই ছবিৰ সংখ্যাও বাঢ়িব। নৱ প্রজন্মক অসমীয়া ছবি চাবলৈ সুযোগ কৰি দিবলৈ এতিয়া এনেধৰণৰ চিন্তা-চৰ্চাৰ প্রয়োজন কৰা যায় তেতিয়াহলে প্রায়ভাগ লোকৰ চিনেমা জগতৰ অন্যতম গুৰুত্বপূৰ্ণ ঠাইখিনিলৈকে অগণন দৰ্শকৰ ভিৰ হ'ব। এনে কৰাৰ ফলত যি পৰিমাণত ধন সংগ্ৰহ হ'ব সেয়া জ্যোতি চিত্ৰবনৰ উন্নয়নৰ বাবে নিশ্চয় ব্যয় কৰিব পাৰিব। তেতিয়া জ্যোতি চিত্ৰবনেও লাভ কৰিব আন এক পৰিচয়। এইখিনিতে কোনোবাই হয়তো প্রশ্ন কৰিব পাৰে যে এতিয়া জ্যোতি চিত্ৰবনৰ পৰিচয় নাই নেকি? নিশ্চয় আছে। এই পৰিচয়ৰ উপৰি-নৱ প্রজন্মৰ মাজত এনেধৰণে যদি প্ৰচাৰ কৰিব পৰা যায় তেতিয়া হ'লে হয়তো এই ক্ষেত্ৰখনে আৰু নতুন গতি লাভ কৰিব। প্রতিগৰাকী-অসমত বসবাস কৰা লোকে বিচৰা ধৰণে এতিয়াও জ্যোতি চিত্ৰবনে লাভ কৰা নাই। এই প্রদৰ্শনী দুটাৰ সময় এনেদৰে নিৰ্দ্দিষ্ট কৰিব লাগে যাতে গ্ৰামাঞ্চলৰ পৰা চিনেমা চাবলৈ অহা লোকসকলেও এখন চিনেমা প্রত্যক্ষ কৰি সময় মতে ঘৰলৈ উভতিব পাৰে। কাৰণ গ্ৰামাঞ্চলৰ পৰা অহা বহু সংখ্যক লোকৰেই এইখন মহানগৰীত নিশা থাকিবলৈ ঠাইৰ অভাৱ। আনহাতে, হোটেল আদিত বাহৰ পাটিও থাকিবলৈ যথেষ্ট অৰ্থৰ প্ৰয়োজন। যদি একেলগে বহুতো লোকে চিনেমা চাবলৈ আহে তেতিয়া হ'লে বাছ ভাড়াও কম হ'ব আৰু একেলগে ছবি চাবলৈ অহাতো আছে সুকীয়া আনন্দ। তদুপৰি যেতিয়া কেইবাখনো বাছ দূৰ দূৰণিৰ পৰা আহি একঠাইত গোট খায় তেতিয়া হ'লে ৰাইজৰ মাজত প্ৰচাৰো হয় ইতিবাচক। তেতিয়া মানুহৰ এই সন্দৰ্ভত থকা ধাৰণাৰো সলনি হ'ব। পৰীক্ষামূলকভাৱে জ্যোতি চিত্ৰবনত সপ্তাহত দুদিনকৈ চিনেমা প্রদৰ্শনৰ ব্যৱস্থা কৰিলে প্ৰতিটো ক্ষেত্ৰতেই হ'ব লাভ। এয়া প্রত্যক্ষ অথবা পৰোক্ষ লাভালাভ হ'ব পাৰে। যদি কেনেবাকৈ সফল-হয় তেতিয়া হলে অসমৰ বিভিন্ন ঠাইত স্মৃতি বিজড়িত অনুষ্ঠানত এনেদৰে প্রদৰ্শনৰ ব্যৱস্থা কৰিলে নিশ্চয় সকলোৰে আদৰি ল'ব।

# ৪৬ বছৰৰ দেওনা পাৰ কৰিলে পাপনে



ৰঙিলী বাৰ্ত্তাসেৱা- আজি জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্তৰ ওপজা দিন। ৪৬ বছৰৰ দেওনা পাৰ কৰিলে অসমবাসীৰ অতি মৰমৰ কণ্ঠশিল্পী গৰাকীয়ে। ২৪ নৱেম্বৰ ১৯৭৬ চনত গুৱাহাটীত জন্মগ্ৰহণ কৰিছিল অংগৰাগ পাপন মহন্তই। অংগৰাগ মহন্তই জন্ম লাভ কৰে অসমৰ দুই অতি জনপ্ৰিয় সংগীত শিল্পী খগেন মহন্তৰ ঔৰসত আৰু অৰ্চনা মহন্তৰ গৰ্ভত। সেয়ে তেওঁ সৰুৰে পৰাই সংগীতময় পৰিৱেশত ডাঙৰ-দীঘল হয় আৰু সংগীতৰ প্ৰতি আকৰ্ষিত হৈ পৰে। অসম তথা উত্তৰ-পূব ভাৰতৰ লোক-সংগীত আৰু বৈষ্ণৱিক ভক্তিমূলক গীতসমূহৰ পৰা প্ৰভাৱিত হৈ পাপনে এইবোৰক আধুনিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি ফিউজন ৰূপত শ্ৰোতাৰ মাজত উপস্থাপন কৰে। ২০০৫ চনত মুক্তি পায় পাপনৰ প্ৰথম এলবাম “জোনাকী ৰাতি”, যাৰ জৰিয়তেই তেওঁ অসমৰ লগতে বাহিৰৰ শ্ৰোতাৰ মাজত জনপ্ৰিয়তা তথা পৰিচয় লাভ কৰে। তাৰ পাছত ২০১০ চনত মুক্তি লাভ কৰে তেওঁৰ আন এখন একক গীতৰ এলবামৰ “চিনাকি অচিনাকি” । পাপনৰ জন্মদিনটোত ছ'চিয়েল মিডিয়াৰ জৰিয়তে তেওঁৰ শুভাকাংশী সকলে শুভেচ্ছাৰে উপচাই দিছে।বলীউদৰ কেইবাখনো চলচ্চিত্ৰত পাপনে কণ্ঠদান কৰি শ্ৰোতাৰ মাজত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। আমাৰ ফালৰ পৰাও কণ্ঠশিল্পীগৰাকীলৈ থাকিল জন্মদিনৰ অলেখ শুভকামনা।

# হত্যাকাৰীক বিচাৰি মহানগৰ আৰক্ষীৰ পুৰস্কাৰ ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- কোনে-কিয় হত্যা কৰিলে পূৰবী ডেইৰীৰ বিতৰক ৰঞ্জিত বৰাক? পাঞ্জাবাৰীৰ ৰঞ্জিত বৰাৰ হত্যাকাণ্ডৰ সামান্য ক্লু এটাও বিচাৰি নাপালে মহানগৰ আৰক্ষীয়ে।আৰক্ষীয়ে হত্যাকাৰীৰ অনুসন্ধান চলাই আছে যদিও বৰ্তমান লৈকে হত্যাকাৰীক ধৰিবলৈ সক্ষম হোৱা নাই। হত্যাকাৰীক বিচাৰি মহানগৰ আৰক্ষীয়ে এইবাৰ ঘোষণা কৰিছে পুৰস্কাৰ।ৰঞ্জিত বৰাৰ হত্যাকাৰীৰ খবৰ দিওতাক দিয়া হ'ব ২ লাখ টকাৰ পুৰস্কাৰ। অৱশ্যে সন্ধান দিওতাৰ নাম গোপনে ৰখাৰ প্ৰতিশ্ৰুতিও দিছে মহানগৰ আৰক্ষীয়ে। আৰক্ষীয়ে হত্যাকাৰীৰ সন্ধান দিবৰ বাবে এটা হোৱাটছ এপ নম্বৰ মুকলি কৰি দিছে। এই হোৱাটচ এপ নম্বৰটো হৈছে ৬০২৬৯০১২৪৭।

# অপৰাধ নিয়ন্ত্ৰণত ব্যৰ্থ মহানগৰ আৰক্ষী

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত বিগত কিছুদিনৰ পৰা নিৰাপত্তা ব্যৱস্থা উদ্বেগজনকভাৱে বিঘ্নিত হৈছে। চলিত সপ্তাহতে, ২১ নৱেম্বৰৰ দিনা পাঞ্জাবাৰী অঞ্চলত ৰঞ্জিত বৰা নামৰ এগৰাকী প্ৰসিদ্ধ ব্যৱসায়ীক দিন দুপৰতে দুৰ্বৃত্তই গুলিয়াই হত্যা কৰে। উক্ত ঘটনাৰ সৈতে জড়িত অপৰাধীৰ চিনাক্ত কৰা হৈছে বুলি সেইদিনাই মহানগৰ আৰক্ষীয়ে ঘোষণা কৰিছিল যদিও আজি তিনিদিন অতিক্ৰম হৈ যোৱাৰ পিছতো আৰক্ষীয়ে অপৰাধীক গ্ৰেপ্তাৰ কৰিব পৰা নাই। - এই মন্তব্য কৰে আপৰ প্ৰিন্স ফাইজুল হ'কে। আজি অনুষ্ঠিত সংবাদ মেলত হ'কে পুনৰ কয়- পিছদিনা ২২ নৱেম্বৰ তাৰিখে মহানগৰীৰ একাধিক ঠাইত দুস্কৃতিকাৰীয়ে মহিলাৰ ডিঙিৰ চেইন কাঢ়ি উধাও হৈ যোৱাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাইছে।কালি ২৩ নৱেম্বৰৰ পুৱতি নিশা গণেশগুৰি নয়নপুৰত ডমিনোজ পিজাত নিৰাপত্তাৰক্ষীক বান্ধি থৈ ডকাইতি সংঘটিত কৰে দুৰ্বৃত্তই। এনেকৈ প্ৰতিদিনেই মহানগৰীৰ বিভিন্ন স্থানত অপৰাধজনিত ঘটনা সংঘটিত হোৱাৰ খবৰ প্ৰকাশ পাই আহিছে। এনে ধাৰাবাহিক অপৰাধৰ খবৰে মহানগৰবাসীক উদ্বিগ্ন কৰি ৰাখিছে। অসম জাতীয় পৰিষদৰ কামৰূপ মহানগৰ সমিতিয়ে অনুভৱ কৰে যে মহানগৰ আৰক্ষীৰ ব্যৰ্থতাৰ বাবে এনে ঘটনাবোৰ সংঘটিত হৈ আহিছে। আৰক্ষীয়ে অপৰাধ নিয়ন্ত্ৰণ কৰিব পৰা নাই আৰু জনসাধাৰণক উপযুক্ত ধৰণে নিৰাপত্তা প্ৰদান কৰিব পৰা নাই।আনহাতে, অসম জাতীয় পৰিষদে বৰ উদ্বিগ্নতাৰ সৈতে লক্ষ্য কৰিছে যে ৰাজ্য চৰকাৰে অসম আৰক্ষীক ৰাজনৈতিক প্ৰয়োজনত ব্যৱহাৰ কৰিবলৈ ধৰাৰ পিছৰে পৰাই আৰক্ষীৰ দক্ষতা হ্ৰাস পাইছে আৰু তাৰ পৰিণতি স্বৰূপে অপৰাধ নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে আৰক্ষী। অসম জাতীয় পৰিষদৰ কামৰূপ মহানগৰ জিলা সমিতিয়ে মহানগৰবাসীৰ নিৰাপত্তাহীনতাৰ দিশটোৰ প্ৰতি ধ্যান দিবলৈ মহানগৰ আৰক্ষীক আহ্বান জনায়। লগতে আৰক্ষীক ৰাজনৈতিক স্বাৰ্থত যাতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতিও সচেষ্ট হৈ থাকিবলৈ অসম আৰক্ষীৰ শীৰ্ষ কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনায় অসম জাতীয় পৰিষদে।

# লাচিত দিৱস উৎযাপন










ৰঙিলী বাৰ্ত্তাসেৱা- শৰাইঘাট ৰণৰ সেনাপতি, অসম গৌৰৱ তথা দেশৰ এগৰাকী মহান সেনা নায়ক বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী উৎযাপনৰ অংশ স্বৰূপে ২৪ নৱেম্বৰ ২০২২ তাৰিখে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ নগাঁও জিলা সমিতিৰ উদ্যোগত পোতনি হালোৱাগাঁও আঞ্চলিক সমিতি আৰু পোতনি মোক্তাৱ স্কুলৰ শিক্ষক-শিক্ষয়ীত্ৰিৰ সহযোগত পোতনি মোক্তাৱ স্কুল প্ৰাঙ্গনত লাচিত দিৱস উৎযাপন কৰা হয় । লাচিত দিৱস উপলক্ষে অনুষ্ঠিত সভা খনত সভাপতিত্ব কৰে সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ নগাঁও দিলা সমিতিৰ সভাপতি জয়নুদ্দিন আহমেদে । উক্ত সভাত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নজমুল হুছেইন, নগাঁও জিলা সমিতিৰ সম্পাদক জায়দুৰ ৰহমান, নগাঁও জিলাৰ সাংগঠনিক সম্পাদক মফিজুদ্দিন আহমেদ, জিলা সদস্য নুৰজামাল আলি, পোতনি আঞ্চলিকৰ সভাপতি জালাল আহমেদ আৰু সম্পাদক মতলিব হুছেইন, উক্ত সভাত মহাবীৰ লাচিতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পোতনি মোক্তাৱ স্কুলৰ প্ৰধান শিক্ষয়েত্ৰী ফুলমাইবৰাই। সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ পোতনি আঞ্চলিক মহিলা কোষৰ সভানেত্ৰী আৰু সম্পাদকও সভাখনত উপস্থিত থাকে। উক্ত সভাত দেশৰ মহান সেনানায়ক জনৰ সাহসী কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰা হয় আৰু বীৰ জনাৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ উপস্থিত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে সকলো জনসাধাৰণলৈ আহ্বান জনায় । সভাত উপস্থিত বিভিন্নজনে তেওঁলোকৰ সাৰুৱা বক্তব্য আগবঢ়ায়। লাচিত দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাঙ্কন প্ৰদৰ্শনী আৰু কবিতা আবৃত্তিৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# অসম সীমান্তত সংঘটিত হোৱা দুৰ্ভাগ্যজনক ঘটনাত ভাৰতীয় জনতা পাৰ্টিৰ দুখ প্ৰকাশ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম সীমান্তত বন মাফিয়াই অসমৰ ভূমিত চলোৱা লুণ্ঠন আৰু বন ধ্বংস ৰুধিবলৈ যাওঁতে সৃষ্টি হোৱা আইন - শৃংখলাজনীত পৰিস্থিতিত ভাৰতীয় জনতা পাৰ্টিয়ে দুখ প্ৰকাশ কৰি এনে ঘটনাক অতি দুৰ্ভাগ্যজনক ঘটনা বুলি গণ্য কৰিছে। দীৰ্ঘদিন ধৰি পশ্চিম কাৰ্বি আংলঙৰ বনাঞ্চলত মেঘালয়ৰ চোৰাং কাঠ ব্যৱসায়ীয়ে চলাই থকা অবৈধ লুণ্ঠনক বাধা দিবলৈ যাওঁতেই বিষম পৰিস্থিতিৰ উদ্ভাৱন হৈ অনাকাংক্ষিত ভাবে হোৱা ভয়ংকৰ সংঘৰ্ষত কৰুণ মৃত্যুক সাৱটিব লগীয়া হোৱা বন কৰ্মী, সুৰক্ষা কৰ্মী আৰু স্থানীয় আবাসীকে ধৰি মুঠ ছজন লোকৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এনে ঘটনাৰ উচিত তদন্তৰ আহ্বান জনাই ভাৰতীয় জনতা পাৰ্টিয়ে। এইখিনিতে উল্লেখযোগ্য যে এই ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে অসম চৰকাৰে ঘোষণা কৰা উচ্চস্তৰীয় ন্যায়িক আয়োগ আৰু চি বি আই তদন্ত আৰু মৃতকৰ পৰিয়াললৈ ঘোষনা কৰা পাছ লাখকৈ আৰ্থিক সাহাৰ্যক দলে আদৰণি জনাইছে। লগতে অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টিয়ে অসমৰ বনাঞ্চলত বিচৰণ কৰি মেঘালয়ৰ দুৰ্বৃত্তই সংঘটিত কৰা এনে কোটাঘাটক তীব্ৰ ভাষাৰে নিন্দা কৰি সীমান্তৱৰ্তী ৰাইজক সকলো ধৰণৰ প্ৰৰোচনাৰ পৰা আঁতৰত থাকি আইনশৃংখলা পৰিস্থিতি বাহাল ৰাখিবলৈ আহ্বান জনাইছে।

## ENGLISH NEWS SECTION

# Assam Governor inaugurates 49th Rashtriya Bal Vaigyanik Pradarshani



Guwahati,RB News- Science exhibition indeed provides a wonderful opportunity to generate curiosity among children, unleash their creativity and imagination," said Assam Governor Prof. Jagdish Mukhi while inaugurating the 49th Rashtriya Bal Vaigyanik Pradarshani at Srimanta Sankardeva International Auditorium . Speaking at the inaugural function which was organized by the Dept. of School Education, Government of Assam in collaboration with NCERT, New Delhi, Prof.Mukhi said, "Science is the specific and specialized form of knowledge. The rich knowledge and positive thinking of man has made the present time a science era. With the help of science, man has made his life very simple and convenient. When on one hand, human beings have been successful in solving many problems with the proper use of science, on the other hand, because of its misuse not only humans but also other creatures are facing new problems with every passing day. The science exhibition being organized showcases the glimpse of merits and demerits of science". The Governor also said that science exhibitions play an important role in enhancing the scientific temperament of the children. It provides them a platform where they can showcase their creativity and talent. Children's curiosity towards scientific research increases through science exhibitions. Also, the children get inspiration to visualize the future of the nation and become sensitive and responsible citizens. Education Minister and Chairperson of the organizing committee Dr.Ranuj Pegu also spoke on the occasion.

# Assam Governor presents Bishwaratna Dr. Bhupen Hazarika International Solidarity Award to Usha Mangeshkar



Guwahati,RB News- Assam Governor Prof. Jagdish Mukhi presented Bishwaratna Dr. Bhupen Hazarika International Solidarity Award to renowned singer Usha Mangeshkar at a function held at NEDFi House. The award consists of a cash prize of Rs. 5 lakh, an angavastra, a commendation and a collection of books. Speaking on the occasion, Governor Prof. Mukhi said that Dr. Bhupen Hazarika was a musical genius who put Assam on the country's cultural map through his compositions and songs. "It is an honour for him to have presented this coveted award instituted after the name of a musical genius to another singing genius", the Governor added. He moreover, said that the unique compositions and rendition of soul-stirring songs by Dr. Bhupen Hazarika have made him the most celebrated artiste of the country. He also thanked Assam Sahitya Sabha for instituting this coveted award after the legendary singer which is indeed a fitting tribute to the bard of the Brahmaputra. The Governor congratulated Usha Mangeskar on receiving the award and coming all the way from Mumbai despite her busy schedule. He also thanked Numaligarh Refinery Limited for its gesture to sponsor this award with Assam Sahitya Sabha. President, Assam Sahitya Sabha Dr. Kuladhar Saikia , CMD, Numaligarh Refinery Ltd. Mr. B.J. Phukan, CGM SBI Arvind Kumar Singh along with a host of other dignitaries were present at the function.

# Remembers patriotism of Great Ahom General



Guwahati,RB News - On the occasion of 400th birth anniversary of Bir Lachit Borphukan today, Assam Governor Prof. Jagdish Mukhi paid rich floral tributes at the statue of Bir Lachit at Lachit Park in the city.It may be noted that in view of the 400th birth anniversary of this great Ahom General, the State government undertook a year long programme which was inaugurated by former President Ram Nath Kovind. Speaking on the occasion the Governor said, "Lachit Borphukan was a great warrior and an eminent historical figure of Assam who played a significant role in shaping our culture and civilization. His celebrated victory over the Mughals will forever remain a matter of great pride for every Assamese."The Governor also said that his prodigious legacy and legendary acts of bravery should be a great source of inspiration for every Indian. He also hoped the observance of the birthday of the Great like Lachit will give our younger generation an opportunity to get themselves abreast with the rich legacy that the commander had left behind.

# Inquiry Commission Constituted headed by Justice Rumi Kumari Phukan (Retd.) to inquire the West Karbi Anglong Firing Incident

Guwahati,RB News - Government of Assam has constituted an Inquiry Commission headed by Justice Rumi Kumari Phukan (Retd.) to inquire into the circumstances leading to the incident occurred on 22.11.2022 at Mukhrow under Jirikinding P.S. of West Karbi Anglong District resulting in the death of 05(five) civilian and 01(one) Home Guard. The Commission of Inquiry will submit its report within 2 (two) months from the date of issue of Notification. The Inquiry Commission has been constituted under Section 3 of the Commissions of Inquiry Act, 1952, to ascertain the facts, circumstances and the exact reason of the firing incident which resulted in the death of six persons.

# Argentina beat Mexico 2-0



RB News - Argentina defeated Mexico 2-0 in a Group C clash to register their first victory in 2022 FIFA World Cup. Captain Lionel Messi and midfielder Enzo Fernández scored for Argentina.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

১০ আঘোণ ১৪২৯ চন Rongili Barta, Date of Publication--27 November,2022

# Walking down the Memory Lane...

An unplanned visit to Juhu
Beach this evening become
Nostalgic,
Juhu Beach Mumbai has its own
charm... Today evening we got
an opportunity to revisit the
famous tourist point of
Mumbai....
After attending a
House warming function of my
friend in Andheri West.
Walking in the sand of
Juhu Beach is
Recollecting some
Beautiful memories...
We were fortunate to have our
Company quarter in Juhu Area
those days,
Children
Did there schooling &
College in Juhu
St. Joseph Convent .Today
suddenly
They are grown up
Not with us anymore...
We spend many moonlit nights in
Juhu Beach
In the distant past
With the children
When they were young..
Looking at the ocean
And enjoying some divine music
that created by the ocean waves.
Children were busy in
making castles in the sand ...
There are endless memories...
Juhu Beach will
Never lost its charm
Any Day.
It will always
Remind us
Those Beautiful
Stories... And
We will never get tired of Juhu
Beach..
We will always come back to the
ocean Whenever
we can ..
Love You Juhu Beach
Love You Mumbai...



## সোঁৱৰণীৰ পথেৰে

হঠাতে ঠিক কৰা জুহু বিচ্ছৰ ভ্ৰমনে
আনি দিলে মোক মিঠা সোঁৱৰণ ।
মুম্বাই এই জুহু বিচ্ছৰ আছে নিজস্ব
আকৰ্ষণ আৰু বিমোহিত ৰূপ ।
সেয়েহে আন্ধেৰীৰ এঘৰৰ ঘৰ লোৱা
'উৎসৱ' ৰ শেষত ঢাপলি মেলিলো
পুৰণি মিঠা স্মৃতি ৰোমন্থন কৰিবলৈ
সকলোৰে হেঁপাহৰ জুহু বিচ্ছ লৈ।
জুহুৰ বালিত খোজ থৈ থৈ
মনলৈ আনিলো বহুতো মিঠা সোঁৱৰণ ।
সৌভাগ্যক্ৰমে আমাৰ চৰকাৰী আবাস
আছিল এই জুহু ৰে সমীপত,
সেয়েহে সন্তানৰ স্কুল কলজো আছিল
জুহুৰ কাষৰীয়া চেণ্ট জোচেফ কনভেণ্টত।
সন্তান ডাঙৰ হ'ল, স্বাধীন হ'ল আৰু সেয়েহে
আজি কোনোৱেই নাই আমাৰ কাষত।
বহুতো জোনাক নিশা পাৰ কৰিছিলো
এই জুহুৰ সাগৰ তীৰত
সন্তান আৰু পত্নীৰ লগত ।
সাগৰলৈ চাই চাই শুনিছিলো
উত্তাল ঢৌৰ গৰ্জনভৰা স্বৰ্গীয় শবদ
আৰু অভিভূত হৈছিলো চাই চাই
সন্তানে সজা বালিৰ ঘৰ।
জুহু বিচ্ছৰ স্মৃতি নহব কাহানিও বিস্মৃতি,
যিকোনো সময়তে, যিকোনো দিনতে
জুহুৰ স্মৃতিয়ে ৰিঙিয়াই মাতিব আমাক,
বাৰে বাৰে উভতি আহিম জুহু বিচ্ছৰ
সাগৰ তীৰলৈ ।
ভালপাওঁ তোমাক জুহু বিচ্ছ
ভালপাওঁ মুম্বাই তোমাক।

**(মিঃ ইণ্ডিয়া শ্ৰীসদানন্দ গগৈদেৱৰ কবিতাৰ অনুবাদ)**

**দেৱীকা বৰপূজাৰী, মুম্বাই**




## Cutie of the Week



**AYUSHI DAS**

**#Beauty of the Week, #Art of the Week** আৰু **# Photography of the Week** লৈ আপোনালোকৰ ফটোবোৰ আমালৈ **E-mail** যোগে প্ৰেৰণ কৰক
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286